চান্দমামা

জানুৱাৰি ১৯৮৯



ৰাম আৰু শ্যাম
জংঘলত আদিবাসীৰ কবলত
PARLE
ৰামৰ মোমায়েক আৰু মামীয়েক এটা ধুনীয়া দ্বীপত থাকে, ৰাম আৰু শ্যামক বন্ধত তাত থাকিবলৈ মাতিলে।
কৌতুহল বশত তেওঁলোকে দ্বীপটোলৈ যাত্রা কৰিলে, হাতত তেওঁলোকৰ ভাললগা পপিন্স।
হঠাৎ...
কাড় ?
কিন্তু কিয় ?
ZIP!
ZIP!
এই আদিবাসীসকলে নিশ্চয় আমালৈ ভয় কৰিছে।
আমি তেওঁলোকৰ লগত বন্ধু পাতিবৰ বাবে পপিন্সৰ পেকেট গাঠি কাড়ৰ সেতে মাৰিম।
জেভলিনৰ দৰে শ্যামে গছত লাগি থকা কাড় বোৰত পপিন্স লগাই মাৰিল।
POPPINS
লুকাই থকা আদিবাসী সকল লাহে লাহে ওলাই আহিল আৰু পপিন্স বোৰ বুটলিলে। তেওঁলোকে চুপিলে আৰু ভাল পালে।
বাহ!
বাহ!
আনন্দৰে তেওঁলোক আহি বন্ধুত্বৰে ৰাম আৰু শ্যামক সাৱটি ধৰিলে।
আমাৰ মৰমৰ বন্ধু
ৰাম আৰু শ্যামৰ হাতত যেতিয়া পপিন্স থাকিব তেতিয়া তেওঁলোকৰ বন্ধুৰ অভাৱ নহব।
পাৰ্লে
পপিন্স
ৰসাল·সোৱাদ·ফ্ৰুতিলগা
everest/86/PP/411-as

যিহেতু এটি শিশুৰ বাবে একমাত্ৰ মৰমেই যথেষ্ট নহয়...

ইউনিট ট্ৰাষ্টৰ শিশুৰ উপহাৰ বৃদ্ধি পুঁজি

আজি আপোনাৰ কণমানি কেঁচুৱাটিৰ প্ৰয়োজন মাথো সীমাহীন মৰম। কিন্তু একমাত্ৰ মৰমেই জানো তেওঁক গোটেই জীৱন জীয়াই ৰাখিব পাৰিব ?
আপোনাৰ পৰিকল্পনাত সহায় কৰিবলৈ, ইউনিট ট্ৰাষ্টৰ সতে আছে এটি অতুলনীয় সঞ্চয় আঁচনি—
এনে বহু বস্তু আছে যিবিলাক আপোনাৰ শিশুটি ডাঙৰ হৈ অহাৰ লগে লগে প্ৰয়োজনীয় হৈ পৰিব: বিভিন্ন বস্তু আপুনি তেওঁক দিবলৈ ইচ্ছা কৰিব। যেনে ধৰক ভাল শিক্ষা অথবা ধৰক তেওঁক কোনোবা এটা ব্যৱসায়ত নামিবলৈ সহায় কৰি দিয়া।
আৰু এই সকলোবিলাকৰ বাবেই প্ৰয়োজন সাৱধানে কৰা পৰিকল্পনা।
শিশুৰ উপহাৰ বৃদ্ধি পুঁজি। এই আঁচনিৰ অধীনত, আপুনি আপোনাৰ শিশুটিলৈ এটি অপৰিৱৰ্তনীয় উপহাৰ যাচিব পাৰে।
শিশুটিৰ লগে লগে আপোনাৰ বিনিয়োগো বৃদ্ধি হৈ গৈ থাকিব। উদাহৰণ স্বৰূপে যদি আপুনি আপোনাৰ নৱজাত কেঁচুৱাটিৰ বাবে ১000 টকা বিনিয়োগ কৰে, এই ধনখিনি ২১ বছৰত ১২000 টকাতকৈও অধিক হব। অথবা, বিকল্পস্বৰূপে, আপুনি এটা স্থিৰীকৃত পৰিমাণৰ ধন প্ৰতি বছৰেও আনকি বিনিয়োগ কৰিব পাৰে। যেনে ধৰক, শিশুটিৰ ১৫ বছৰ বয়স হোৱালৈকে, প্ৰতিটো জন্মদিনতে ১১00 টকা বিনিয়োগ কৰিলে, ২১ বছৰতে তেওঁ এজন লাখপতি হৈ উঠিব।
গতিকে আপোনাৰ শিশুটি যেতিয়া নিজেই নিজৰ ভৰিৰ ওপৰত থিয় হবলৈ সাজু হব, যথেষ্ট ধনে তেওঁৰ বাবে বাট চাই ৰব।
আপোনাৰ পৰা এটি উপহাৰ—তাৰ অৰ্থই হ'ল, আপোনাৰ শিশুটিয়ে যাতে ভৱিষ্যতে উন্নতি কৰিব পাৰে আৰু জীৱনে দিব পৰা সকলো আনন্দ উপভোগ যাতে কৰিব পাৰে তাত সহায় কৰা।
সেয়াই হ'ল মৰমৰ উপহাৰ, নহয় জানো ?

ইউনিট ট্ৰাষ্ট অৱ ইণ্ডিয়া

(ৰাজহুৱা খণ্ডৰ এটি বিত্তীয় সংস্থা)

Sista's-UTI-637/88 ASM A

চান্দমামা

জানুৱাৰি ১৯৮৯

এই সংখ্যাত আছে

সম্বাদ-বি-সম্বাদ	:	৯
কাজিয়াৰ গুৰিকথা	:	১•
পেকৰ কচু	:	১১
অলংকাৰৰ খিলিংকাৰ	:	১৬
স্বৰ্ণ-উপত্যকা	:	১৯
নিয়মৰ ব্যতিক্ৰম	:	২৬
সাপ আৰু মানুহ	:	২৭
সত্যনাৰায়ণৰ ভতিজা	:	৩২
মণি-মঞ্জৰী-৩	:	৩৫
জীৱনৰ অন্য নাম	:	৩৯
কৃষ্ণাৱতাৰ	:	৪৩
বহিব জানিলে	:	৫১
স্বৰ্ণ-স্ৰষ্টা	:	৫৮
প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

LCD GAME SERIES

DRAMATIC TECHNOLOGY **CASIO**

THRILLS! SPILLS! ADVENTURE!

Realistic, exciting sound effects!

CG-410
GUERRILLA WARFARE

CG-420
WESTERN SHERIFF

CG-430
JET STAR

CG-128
LOVELY ANGEL

CG-129
CROCODILE PANIC

CG-130A
RABBIT FARM

For further information and contact

India ; **Thakral Computers (P) Ltd.**
117/118, Dalamal Tower, 211, Nariman Point, Bombay-400 021. Tel : 2871340, 232104. Telex : 011-2937

Singapore : **THAKRAL EMPORIUM (S) PTE. LTD.**
77 High Street #01-06, High Street Plaza, Singapore 0617
Tel : 3379338 (8 lines). Telex : THAKRAL RS 23884

Hong Kong : **ONFLO MARKETING CO., LTD.,**
2/F Hotel Miramar, 118-130 Nathan Road,
Tsim Sha Tsui Kowloon Hong Kong
Tel : 3-7967131 Fax : (852)-3-7998917
Tlx : 55858 ONFLO HX Cable : ONFLOTRON HONG KONG

Nepal : **RAINBOW PHOTO-FINISHERS PTE. LTD.**
Gopalrai Purushotamlal P.O.Box 772 Kathmandu, Nepal
Tel off. 2-24589, 2-24074 Tlx:2339 GRPL NP

U.A.E. : **JUMBO ELECTRONICS CO.LTD.**
Jumbo House P.O. Box 3426 Dubai
Tel : 422555 (15 lines) Telex : 45845 JECOL EM

Saudi Arabia : **MAHMOOD SALEH ABBAR CO.**
Head Office Jeddah · Saudi Arabia · P.O. Box 461-JEDDAH 21411
Tel : 6512764/6512768 Telex : 601790 ABARJD SJ

Oman : **ARABIAN CAR MARKETING CO., LTD.**
P.O. 4306 RUWI Sultanate of Oman Tel: 793741 To 50 Telex: 3565 BAHWAN ON

CASIO COMPUTER CO., LTD.
Tokyo, Japan

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্ৰপাণি * বি নাগিৰেড্ডি

'চান্দমামা-ক্ৰোড়পত্ৰ' পঢ়ি অসংখ্য পাঠক-পাঠিকাই আমালৈ তেওঁলোকৰ মূল্যবান মন্তব্য লিখি পঠিয়াইছে। ক্ৰোড়পত্ৰৰ বিষয়ে আপোনাৰ মন্তব্যও আমাক লাগে। যদি কিবা পৰামৰ্শ আগ বঢ়ায় এই বিষয়ে—আমি সাদৰে আৰু কৃতজ্ঞতাৰে গ্ৰহণ কৰিম। আশা কৰোঁ আপোনাৰ মন্তব্যও আমি জানিবলৈ পাম। সদৌটিলৈ নমস্কাৰ থাকিল।

অমৰ-বাণী

লুব্ধমৰ্থেন গৃহ্ণীয়াৎ স্তব্ধমঞ্জলি কৰ্মণা।
মূৰ্খং চন্দানুৰোগেন যাথাথত্বেম পণ্ডিতম্॥

[লোভীক ধনেৰে, কঠোৰ-হৃদয়ক নম্ৰ বচনেৰে, মূৰ্খক প্ৰশংসাৰে আৰু পণ্ডিত লোকক সততাৰে বশ কৰিব পাৰি।]

বছৰ ঃ ১৩ জানুৱাৰি ১৯৮৯ সংখ্যা ঃ ১০

খনে ঃ ৩·০০ টকা ঃ ঃ বছৰেকীয়া বৰঙণি ঃ ৩৬·০০ টকা

CHITRA

The Adventures of GEMS BOND
MEET THE MOST EXCITING HERO OF THEM ALL... GEMS BOND!
MY NAME IS BOND... GEMS BOND
GEMS BOND THINKS HE'S ON A SIMPLE MISSION THIS TIME: ALL HE HAS TO DO IS TAKE PROF. MATHEMAGIC AND HIS SECRET FORMULA TO HEADQUARTERS.
BUT, UNKNOWN TO BOTH OF THEM, THE DREADED BLACK COBRA GANG IS AROUND THE CORNER - AND WAITING TO STRIKE!
LET'S GET HIM!
IF THE PROF'S FORMULA FALLS INTO THE WRONG HANDS, THE FUTURE OF THE WORLD COULD BE AT STAKE!
WE'RE BEING FOLLOWED!
WE MUST SAVE THE SECRET FORMULA!
GEMS BOND STEPS ON THE ACCELERATOR OF HIS GEMSMOBILE -
BUT THE VILLAINS ARE CATCHING UP!
GEMS BOND IS IN CONTROL: IT'S TIME FOR HIM TO PRESS THE GEMS BUTTON!
DON'T WORRY PROF!
THE GEMSMOBILE RELEASES A FLOOD OF GEMS, TAKING THE VILLAINS BY SURPRISE!
THE VILLAINS' CAR GOES OUT OF CONTROL....AND GEMS BOND SCORES OVER THE BLACK COBRA GANG AGAIN. THE FORMULA IS SAVED!
CRASH
Cadbury's GEMS
AND SO GEMS BOND IS READY TO FACE HIS NEXT ADVENTURE. THE EXCITEMENT CONTINUES...
Cadbury's GEMS
Non-stop excitement!
OBM/3617

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

মংগলত মানুহ আছেনে?

সম্প্ৰতি মহাকাশ-বিজ্ঞানীসকলে মহাকাশত লোৱা বিভিন্ন চিত্ৰৰ পৰীক্ষা-নিৰীক্ষাৰ অন্তত—এক সাঁথৰৰ বেহুত সোমাই পৰিছে। মংগলগ্ৰহত তেওঁলোকে পিৰামিডৰ দৰে বস্তু দেখা পাইছে। সেইবোৰ প্ৰাকৃতিকনে মানুহে নিৰ্মাণ কৰা—সেয়ে হ'ল সাঁথৰ!

পৃথিৱীৰ সবাতোকৈ ধনী মানুহ

জাপানৰ যোশ্বিয়া স্যুৎছুমি হ'ল পৃথিৱীৰ সৰাতোকৈ ধনী মানুহ। তেওঁৰ ভালেমান ৰেলপথ আছে।



শামুকীয়া দৌৰ



স্পেইন দেশত সম্প্ৰতি ৭৯ টা শামুকে দৌৰৰ প্ৰতিযোগিতাত ভাগ লৈছিল। এইবিলাকৰ গাত সৰু সৰু শিল বান্ধি দিয়া হৈছিল। হাৰকিউলিছ নামৰ শামুকটোৱে এই দৌৰ-প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছিল। সি ২৪৬ গ্ৰাম ওজনৰ শিলৰ টুকুৰাটোক ১০ মিনিটৰ ভিতৰত ৪২'৫ ছেণ্টিমিটাৰ দূৰত্বলৈ কঢ়িয়াই লৈ যাব পাৰিছিল। কিছুমান শামুকে দৌৰৰ সলনি আন শামুকৰ গাত উঠি শুই দিছিল।

বিৰাট অকণি-ভাৰত্তোলক!

ঝন্ লুমেই নামৰ চীনদেশীয় ১৫ বছৰীয়া ছোৱালী এজনীয়ে ভাৰত্তোলন প্ৰতিযোগিতাত বিশ্ব-ৰেকৰ্ডৰ অধিকাৰিণী হ'ল!



কাজিয়াৰ গুৰিকথা

পাৰ্বতীৰ মনত এটা প্ৰশ্নই খেলিমেলি লগাই দিছিল : মানুহৰ লগত মানুহৰ কাজিয়-বিবাদ কিয় হয় ? এই প্ৰশ্নৰ উত্তৰ বিচাৰি পাৰ্বতীয়ে বহুতকে বহুত সুধিলে, বহুতৰেপৰা বহুত ধৰণৰ উত্তৰো পালে। কিন্তু পাৰ্বতী তুষ্ট নহ'ল।

এদিন ৰাতিপুৱা এজন বৰাগীয়ে পাৰ্বতীৰপৰা ভিক্ষা খোজাত পাৰ্বতীয়ে ব'ৰাগীজনক সুধিলে, "এই সংসাৰত কাজিয়া-বিবাদ কিয় হয় ক'বনে, প্ৰভু ?"

"মই তোমাৰপৰা ভিক্ষা খুজিছোঁ, মোক এনেকুৱা এটা অবান্তৰ অদ্ভুত প্ৰশ্ন কৰাটো উচিত হৈছেনে ?" ব'ৰাগীয়ে বিৰক্তিৰে সুধিলে।

"মোৰ প্ৰশ্নটোত অবান্তৰ কথা একো নাই। ঘূৰি ঘূৰি ভিক্ষা কৰাইতে কথাই কথাই ইমান বিৰক্ত হ'ব নাপায়।" পাৰ্বতীয়ে কঠুৱা মাতেৰে ক'লে।

"মই মাত্ৰ এষাৰহে টান মাত মাতিছোঁ। তাৰেই তোমাৰ ইমান খং উঠিলনে ? তেনেহ'লে—এতিয়া বুজি পাইছানে যে—কথাৰ ওপৰতহে কাজিয়া-বিবাদ হোৱা-নোহোৱা নিৰ্ভৰ কৰিছে। এই কথাৰ কথা তুমি যাতে উপলব্ধি কৰিব পাৰা, কাজিয়াৰ গুৰিকথাটো যাতে নিজেই বুজিব পাৰা. তাৰ বাবেহে মই তোমাক তেনেকৈ টান কথা এষাৰ কৈছিলোঁ।"



পেকৰ কচু

চুবুৰীয়া ৰাজ্যৰ ৰজাই ধৰ্মগিৰি আক্ৰমণ কৰাত ভদ্ৰাৱতীৰ ৰজা ভানুবৰ্মাদেৱে প্ৰতি-আক্ৰমণ কৰি চুবুৰীয়া ৰাজ্যৰ ৰজাক পৰাজিত কৰি, ধৰ্মগিৰিৰ শাসনভাৰ পুনৰ তেওঁৰ সামন্ত ৰজাৰ হাততে অৰ্পিলে। ৰাতিৰ পৰতে সামন্তৰজা ফটিকচন্দ্ৰই মহাৰাজ ভানুবৰ্মাদেৱক এটা ডাঙৰ পাত্ৰ দিলে আৰু ক'লে, "মহৰাজ, এই পাত্ৰত থকা অতি উপাদেয় তথা সুস্বাদু পানীয় পান কৰি আপুনি বিৰাট আনন্দ লভিব বুলি মোৰ ধাৰণা।"

ৰজাই তেওঁৰ সেনাপতি আৰু পালি-সেনাপতিসকলকো মতাই অনাই এই পৰম উপাদেয় তথা সুস্বাদু পানীয় খুৱালে আৰু নিজেও খালে।

ৰাতিপুৱা অলপ পলমকৈ সাৰ পাই উঠি মহাৰাজ ভানুবৰ্মাই সামন্ত ফটিক-চন্দ্ৰক সুধিলে, "তুমি এই উপাদেয় পানীয় ক'ৰপৰা আনিছিলা ?"

"মহাৰাজ, এই পানীয় ধৰ্মগিৰিতে তৈয়াৰ কৰা হয়। এবিধ বৃক্ষ-ৰসৰপৰা এই পানীয় প্ৰস্তুত কৰিব পাৰি।" সামন্ত ফটিকচন্দ্ৰই ফটফটকৈ ক'লে।

"অ—।" মহাৰাজ ভানুৱে পুনৰ ক'লে, "এনেহেন পানীয় ধৰ্মগিৰিত বাৰু আগৰ দিনতো—কিজানি— "

"নহয়, মহাৰাজ।" মহাৰাজ ভানু-বৰ্মাদেৱৰ কথাষাৰ নৌ শেষ হওঁতেই ফটিকে ফট ফটকৈ কৈ উঠিল, "মাত্ৰ দুবছৰৰ আগতে এজন বিদেশী বণিজাৰে এই পানীয় মোক পান কৰিবলৈ দিছিল, তথা এই পানীয় প্ৰস্তুত কৰাৰ পদ্ধতিও

'কিশোৰকুমাৰ'



ভালকৈ শিকাই-বুজাই দিছিল।"

"কথাটো মোক অলপ ভাঙি-পাতি ক'বানে?" ৰজাই ফটিকসামন্তক ক'লে।

ৰজাৰ এই কথাৰ উত্তৰত সামন্ত ফটিকচন্দ্ৰই ক'লে ঃ

'মহাৰাজ! বিদেশী বণিজাৰে উপহাৰ-স্বৰূপে দিয়া এই পানীয় পান কৰাৰ অন্তত মই ভাবিলোঁ ঃ এনেহেন সোৱাদ পানীয় আমাৰ প্ৰজাহঁতক পান কৰাৰ সুবিধা দিলে মোৰ সুনাম তথা প্ৰতিপত্তিও নিশ্চয় বৃদ্ধি হ'ব।

এই কথা ভবাৰ লগে মই মোৰ মহামন্ত্ৰীক মতাই অনাই এই পানীয় যাতে আমাৰ এই ৰাজ্যতে যথেষ্ট পৰিমাণে প্ৰস্তুত হয়, তাৰ বাবে যথাযথ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক'লোঁ।

মহামন্ত্ৰীয়ে এপষৰ ভিতৰতে সমগ্ৰ ৰাজ্যত এই পানীয়ৰ দোকান তথা চৰাপ-খানা খোলাৰ বঢ়িয়া বন্দৰস্ত কৰিলে আৰু এনে ধৰণৰ পাত্ৰত ভৰাই এই এই পানীয় দেশৰ জনসাধাৰণ মাজত সদা-সৰ্বক্ষণ বিপুল পৰিমাণে বিক্ৰিৰো বন্দৰস্ত হাতত ল'লে।

আৰু—এসপ্তাহৰ ভিতৰত এনেকুৱা পঞ্চাছ হাজাৰতকৈয়ো অধিক পাত্ৰ পানীয় সমগ্ৰ ৰাজ্যত অতি সহজভাৱেই বিক্ৰি হ'ল।

এই পানীয় প্ৰচুৰ পৰিমাণে বিক্ৰি হ'ল ঠিকেই, কিন্তু এই পানীয়ৰ কাৰণে নানান সমস্যাৰো সৃষ্টি হ'ল।

যেনে — এই পানীয়ৰ কাৰণেই প্ৰজাহঁতৰ জীৱিকানিৰ্বাহৰ খৰচ বাঢ়িল, পানীয়ৰ যোগান ঠিকমতে নোপোৱাত পানীয়ৰ দোকানবিলাকত ক্ৰেতাহঁতে গণ্ডগোল কৰিলে, চৰাপখানাৰ কৰ্মচাৰী দুই-চাৰিক মাৰ-পিট কৰিলে, শুনা কথা, এজননে দুজন কৰ্মচাৰী ক্ৰেতাহঁতৰ মাধমাৰ খাই অকালতে মৰিলও।

সামন্ত ফটিকচন্দ্ৰই এই সমস্যাসমূহৰ বিষয়ে তেওঁৰ মহামন্ত্ৰীৰ সৈতে আলোচনা-

বিলোচনা কৰিলে। আলোচনাৰ অন্তত স্থিৰ হ'ল যে পানীয়ৰ দাম দুগুণ কৰা হ'ব, তেতিয়া দুখীয়া শ্ৰেণীটোৱে কিনিব নোৱাৰিব আৰু ধনৰ অযথা অপব্যয়ৰ পৰা ৰেহাই পাব।

কিন্তু দাম দুগুণে বঢ়ায়ো দেখা গ'ল যে—এই অভূতপূৰ্ব জনপ্ৰিয় পানীয়ৰ বিক্ৰি চাৰিগুণে চৰিল।

আগতে যিস্থলত দিনে দহহাজাৰ পাত্ৰ পানীয় বিক্ৰি হৈছিল এতিয়া সেই ঠাইত ত্ৰিছ-চল্লিছ হাজাৰ পাত্ৰ বিকিছে! তাৰ ফলত ৰাজকোষৰ আয়-উপাৰ্জনো ভালে-খিনি বাঢ়ি গ'ল।

স্থিৰ কৰা হ'ল যে পানীয় বিক্ৰিৰপৰা হোৱা বছৰৰ প্ৰথম ছমাহৰ লাভেৰে মাউৰা ল'ৰা-ছোৱালীহঁতৰ শিক্ষাৰ বাবে বিভিন্ন আঁচনি হাতত লোৱা হ'ব আৰু পাছৰ ছমাহৰ লাভেৰে দেশৰ সৈন্যবাহিনীৰ ল'ৰা-ছোৱালীহঁতৰ বিভিন্ন বিদ্যাশিক্ষাৰ বাবে ব্যয় কৰা হ'ব। অৱশ্যে—লাভৰ কিছুখিনি ধন দেশৰ শাসনকাৰ্য্যৰ উন্নতিৰ বাবেও ব্যয় কৰা হ'ব।

পৰিকল্পনাৰ কথা শুনি দেশৰ ৰাইজ অৱশ্যে সিমান উৎসাহিত নহ'ল। ৰজাই ৰাইজৰপৰা যিমান সকলৰ শৰাই পাব বুলি ভাবিছিল, নাপালে। কিন্তু তথাপি ৰজা নদমিল।

এই আঁচনি কাৰ্য্যকৰী কৰাৰ বাবে



ছদ্মবেশী সামন্ত ফটিকচন্দ্ৰই এই বিষয়ে সোধাত কেইজনমান মাউৰা ল'ৰাই ক'লে, "আমাৰ দেশত এবিধ ভাল পানীয় পোৱা যায়। এই পানীয় বস্তুটো হেনো বৰ সোৱাদ আৰু এবাৰ খালে কেতিয়াও এৰিব নোৱৰাবিধৰ এক আচৰিত পানীয়। সেই পানীয় খাই আমাৰ পিতৃ- মাতৃ-ভ্ৰাতৃ সকলো মৰিল। আমাৰ এই ঠাইৰ কিছুমানে এই আচৰিত পানীয়ৰ সোৱাদ ল'বলৈ আনকি নিজৰ নিজৰ মাটি-বাৰীও বেচি দিলে আৰু এই পানীয়ৰ ফলতেহে আমি পেকৰ কচু হেন হৈ পৰিলোঁ।"

এই পানীয় বিক্ৰিৰ পাছৰপৰা দেশৰ সৈন্যহঁতৰ দৰমহা বৃদ্ধি কৰা হৈছিল। সিহঁতৰ অৱস্থাৰ কিমান উন্নতি হ'ল সেই কথাৰ ফলাফল জনাবলৈ ফটিকচন্দ্ৰই মহামন্ত্ৰীক ক'লে।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, সৈন্য-হঁতৰ ল'ৰা-ছোৱালীহঁতৰপৰা মই অসংখ্য অভিযোগপত্ৰ পোৱা হৈছোঁ। সেই অভি-যোগ নানান ধৰণৰ অভিযোগ এওঁলোকে প্ৰতিকাৰ বিচাৰিহে লিখি পঠাইছে। এই বুলি কৈ, মহামন্ত্ৰীয়ে ফটিকচন্দ্ৰৰ হাতত এজাপ অভিযোগ-পত্ৰ দিলে।

ফটিকচন্দ্ৰই দুই-চাৰিখন চিঠি পঢ়াৰ অন্তত এই কথাটি ফটফটীয়াকৈ বুজিলে উদ্যোগ লোৱা হ'ল। দেখা গ'ল যে— মাউৰা ল'ৰা-ছোৱালীৰ সংখ্যা — সমগ্ৰ ৰাজ্যত—কমেও পঁচিছ হাজাৰ। ইমান মাউৰা কেনেকৈ হয় আৰু কিয় হয়, সেই কথাৰ সন্তেদ উলিয়াবৰ বাবে এদিন সামন্ত ফটিকচন্দ্ৰ ছদ্মবেশ ধাৰণ কৰি নিজেই ওলাল।

ওলাই সামন্ত ফটিকচন্দ্ৰই ফটফটীয়াকৈ দেখা পালে যে অসংখ্য ল'ৰা-ছোৱালী কেও-কিছু নোহোৱা অৱস্থাত অ'ত ত'ত অনাই-বনাই ফুৰিছে। তেওঁ ৰাজ্যত অসংখ্য মগনিয়াৰকো খুজি-মাগি খোৱা তথা ঘৰে ঘৰে ভিক্ষা কৰা দেখা পালে।

যে—এই পানীয়ই দেশৰ শ্ৰেষ্ঠতম তথা কঠোৰ শৃংখলাপূৰ্ণ সৈন্যহঁতকো কৰ্তব্যচ্যুত কৰি পেলাইছে।

ফটিকচন্দ্ৰই খেদ প্ৰকাশ কৰি ক'লে, "আমাৰ প্ৰজাক আনন্দ দিবলৈ মই এই পানীয় প্ৰচলন কৰিছিলোঁ. এতিয়া ফল হ'ল বিপৰীতহে! যি কি নহওক—মহামন্ত্ৰী, আপুনি কপিলশৰ্মাক মতাই অনাওকচোন. মই গান শুনিম। এইবোৰ অভিযোগপত্ৰ পঢ়ি মোৰ মনটো বৰ বেয়া লাগি গৈছে।"

কপিলশৰ্মা আছিল বিখ্যাত সংগীত শিল্পী। তেওঁ ৰাজসভালৈ আহিল, গান গাবলৈকো বহিল; কিন্তু তেওঁৰ মুখৰপৰা গান প্ৰায় নোলোৱাই হ'ল।

সামন্তৰজা ফটিকচন্দ্ৰই মহামন্ত্ৰীলৈ ঘূৰি চালে। মহামন্ত্ৰীয়ে ফুচফুচাই ক'লে, "মহাৰাজ, কপিলশৰ্মাকো সেই পানীয়য়েই কঁকালভগা কৰিলে। এই পানীয়ই বহুতকে বিনষ্ট কৰিলে, মহাৰাজ!"

এই কাহিনী কোৱাৰ অন্তত ফটিকচন্দ্ৰ মহাৰাজ ভানুবৰ্মাদেৱৰ আগত তলমূৰ হৈ থিয় হৈ থাকিল।

তাৰ পাছত মহাৰাজ ভানুবৰ্মাদেৱ তেওঁৰ ৰাজ্যলৈ উভতি গ'ল। নিজ ৰাজ্য পায়েই তেওঁ তেওঁৰ বিশ্বস্ত তথা সুদক্ষ চোৰাংচোৰাহঁতৰ পৰা এই সম্বাদ পালে যে সেই চুবুৰীয়া ৰাজ্যৰ ৰজাই পুনৰ তুমাহৰ ভিতৰতে ধৰ্মগিৰি আক্ৰমণ কৰিব।

মহাৰাজ ভানুবৰ্মাদেৱে সুকৌশলে চুবুৰীয়া ৰাজ্যলৈ সেই পানীয়ৰ প্ৰচলন কৰিলে, আৰু তাৰ পাছত হেলাৰঙে সেই পানীয় তথা মদ খাই পেকৰ কচুহেন হৈ পৰা চুবুৰীয়া ৰাজ্যখন অধিকাৰ কৰিলে।

এই ঘটনাৰ পাছত মহাৰাজ ভানু-বৰ্মাদেৱে চুবুৰীয়া ৰাজ্য তথা তেওঁৰ সামন্ত ৰাজ্য ধৰ্মগিৰিতো এই পানীয়ৰ প্ৰচলন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিলে।

অলংকাৰৰ খিলিংকাৰ

গাঁৱৰ নাম বৰপুৰ। বৰপুৰত আছিল এগৰাকী জাগ্ৰত গোসাঁনী। গোসাঁনীৰ নাম বৰদেৱী। এই দেৱীৰ নামত এটা মন্দিৰ আছিল। গাঁৱৰ ৰাইজ এই মন্দিৰৰ তথা দেৱীৰ মহিমাৰে মুগ্ধ। ৰাইজে দেৱীৰ মহিমাৰ কথা তথা ক্ষমতাৰ কথা পঞ্চমুখে প্ৰচাৰ কৰিছিল, মানস পূৰণ হ'লে দেৱীলৈ বিভিন্ন উপচাৰেৰে পূজা আগ কৰিছিল। হালোৱাবিলাকে পথাৰলৈ বুলি খোজ লোৱাৰ আগতে দেৱীলৈ অৰ্থাৎ গোসাঁনীলৈ প্ৰণাম জনাইছিল, যাৰ যেনে সাধ্য—সোণৰপৰা ধানলৈকে যিয়ে যি পাৰে দান-দক্ষিণা দিছিল।

এবাৰ সূৰ্য্যপ্ৰসাদ নামৰ বেপাৰী এজন বৰপুৰলৈ আহিল। আহি সূৰ্য্যপ্ৰসাদে বৰদেৱীৰ মহিমাৰ কথা শুনিলে। শুনি তেওঁ কৰযোৰে সেই দেৱীক ক'লে, "হে দেৱী! মই কেৱল বেপাৰ কৰিবলৈহে এই গাঁৱলৈ আহিছোঁ। যদি মোৰ বেহা-বেপাৰ ভাল হয়, অহা বছৰলৈ তোমাৰ উছৱৰ সময়ত ৰূপৰ অলংকাৰেৰে তোমাৰ সৰ্বাংগ মই ঢাকি দিম।"

সূৰ্য্যপ্ৰসাদৰ কথা শুনি বৰদেৱীৰ মনত আনন্দৰ ঢৌ জাগিল। গাঁৱৰ যিসকল খেতিয়কৰপৰা সূৰ্য্যপ্ৰসাদে শস্য কিনিব বুলি চুক্তি কৰিছিল, বৰদেৱীৰ কৃপাত কেৱল সেইসকলৰহে শস্য উপজিল। ওচৰ-পাজৰৰ অন্যান্য খেতিয়কৰ তো কথাই নাই, আনকি অন্যান্য গাঁৱতো এইবাৰ আগৰ দৰে শস্য নোপজিল। তাৰ ফলত, সকলোটিয়েই সূৰ্য্যপ্ৰসাদৰপৰা অতিপাত চৰা দামত শস্য কিনিবলৈ বাধ্য হ'ল।

পুলক পাঠক

পাছৰৰ বছৰত বৰপুৰ গাঁৱত সুবোধ নামৰ অন্য এজন বেপাৰী আছিল। সুবোধে কীটনাশক দৰব-পাতিৰ বেপাৰ কৰে। এই গাঁৱৰ জাগ্ৰত বৰদেৱীৰ কথা সুবোধে আগৰেপৰাই জানিছিল। তেওঁ গাঁও পায়েই বৰদেৱীক প্ৰণাম কৰি ক'লে, "হে দেৱী! এই গাঁৱত যদি কীটনাশক দৰব-পাতি ভালৰো ভাল পৰিমাণে বিক্ৰি হয়, আৰু মই যদি লাভৰো উপৰি লাভ কৰিব পাৰোঁ, তেনেহ'লে তোমাক সোণৰ অলংকাৰেৰে ঢাকি দিম।"

এইবাৰ খেতিয়কসকলে বাধ্যত পৰি সুবোধৰপৰা কীটনাশক দৰব যাতে কিনে, বৰদেৱীয়ে সুবোধৰ বাবে সেই ব্যৱস্থা কৰি দিলে। কীটনাশক দৰবৰ গুণত খেতিয়ক-সকলৰ শস্যৰ উভৈনদী হ'ল। আৰু সুবোধেও তাৰ কথা মতে দেৱীক সোণৰ অলংকাৰেৰে সজালে। উছৱো জাকজমকীয়াকৈ হ'ল।

উছৱৰ অন্ত পৰাৰ এসপ্তাহৰ অন্তত বেণুগোপাল নামৰ এজন কৃষকে এনিশা গাঁও এৰি গুচি যোৱাৰ আগতে মন্দিৰলৈ গ'ল। গাঁৱৰ আন বহুতৰ দৰেই বেণু-গোপালও আছিল বৰদেৱীৰ ভক্ত।

প্ৰায় মাজনিশা বেণুগোপালক মন্দিৰত দেখা পাই বৰদেৱীৰ বৰ কৌতূহল হ'ল। বৰদেৱীয়ে এজনী বুঢ়ীৰ বেশ ধৰিলে আৰু বেণুগোপালৰ গোটেই পৰিয়ালখন গৈ থকা গৰুৰ গাড়ীখনক আগভেটি থিয় হৈ বেণুগোপালক সুধিলে, "ইমান ৰাতি ল'ৰা ছোৱালী-পৰিবাৰক লৈ ক'লৈ গৈ আছা, বোপা?"

বেণুগোপালে ক'লে, "আইতা, ইয়াত আমি একেবাৰে থাকৰি নোহোৱা যেন হৈছোঁ। থকা টান। সেইহে, মাটি-বাৰী বেচি দিনহাজিৰা কৰি পেট প্ৰৱৰ্তোৱাৰ মনেৰে আন ঠাইলৈ গৈ আছোঁ।"

বেণুৰ বিষম কথা শুনি বৰদেৱী বিমোৰত পৰা যেন হ'ল।

তাৰ পাছৰপৰা বৰদেৱীয়ে লক্ষ্য কৰিলে

যে অন্য হালোৰা-জালোৰাইঁতো গাঁও এৰি গুচি যাব ধৰিছে। তথাপি বৰদেৱীয়ে ভ্ৰূক্ষেপ নকৰিলে।

কিন্তু যিদিনা সূৰ্যপ্ৰসাদ আৰু সুবোধে সবিনয়ে ক'লে, "হে দেৱী! আমি ধন লাভৰ বাবেহে এই গাঁৱলৈ আহিছিলোঁ। পিছে — গাঁৱত মানুহ নাথাকিলে ধন লাভ হ'বনো কেনেকৈ? সেইদেখি— আমিও এই গাঁও এৰি অন্য গাঁৱলৈ যাব-ধৰিছোঁ। য'ত মানুহ নাই, দুনুহ নাই, একো নাই — আন যিমানেই যি নাথাকক, তাত ধন নাই।"

সিহঁত দুটাৰ কথা শুনি ক্ৰুদ্ধ বৰদেৱীয়ে ক'লে, "তোমালোক অতি নীচ মানুহ। তোমালোকৰ অলপো লাজ লগা নাইনে? তোমালোকৰ ভালৰ বাবে, লাভৰ বাবে, মই নকৰা কাম নাই। আৰু—আজি মোকেইহে এনেবোৰ কথা কৈ আছানে? তোমালোক দুটা মানুহ নামৰ যোগ্যনে?"

সূৰ্যপ্ৰসাদ আৰু সুবোধে দেৱীক প্ৰণাম কৰি ক'লে, "হে দেৱী! আমাৰ ভালৰ আৰু লাভৰ বাবে আপুনি গাঁৱৰ ৰাইজক নচুৱাইছিল, হয়। পিছে—এতিয়া আৰু ইয়াত পাবলগীয়া একো নাই আমাৰ। গতিকে—আমি অইনলৈ যাওঁ।"

অলংকাৰৰ লোভত পৰি গাঁৱৰ ৰাইজৰ সৰ্বনাশ কৰি পোৱা অলংকাৰেই খিলিংকাৰ হ'ল যে — এতিয়া সেই আচল কথাটি দেৱীয়ে সুবুজাকৈ নাথাকিল।

এই ঘটনা বা দুৰ্ঘটনাৰ পাছত বৰ-দেৱীয়ে নিজৰ বাবে নহয়, গাঁৱৰ মংগলৰ অৰ্থে কাম কৰিছিল, আৰু গাঁৱৰ শস্য-পথাৰবোৰ আগৰদৰে নদন-বদন কৰি কৰি তোলাত গাঁও এৰি গুচি যোৱাইঁত পুনৰ গাঁৱলৈ উভতি আহিছিল।

এইদৰে বৰদেৱীয়ে তেওঁৰ পূৰ্ব গৌৰব নিঃস্বাৰ্থ কামৰদ্বাৰা ৰাইজৰ মাজত পুনৰ প্ৰতিষ্ঠিত কৰিব পাৰিছিল।

স্বৰ্ণ-উপত্যকা

১৩

বিনন্দই
তাৰ অভাৱিত শ্ৰমৰ
পুৰস্কাৰ পালে। অৱশেষত
সি স্বৰ্ণ-উপত্যকাত ভৰি দিলেগৈ।
আৰু নিজৰ আঙুলিত থকা আঙঠিটো
সোলোকাই লৈ সোণৰ প্ৰতিমাৰ আঙুলিত
পিন্ধোৱাৰ লগে লগেই সেই সোণৰ প্ৰতিমাত প্ৰাণ
সঞ্চাৰিত হ'ল। হতবাক বিনন্দৰ পিনে জীৱন্ত সোণৰ
প্ৰতিমাই মোহময়ী দৃষ্টিৰে চালে আৰু বিচিত্ৰ
হাঁহি মাৰি ক'লে, 'আমাৰ বিবাহ
কেতিয়াবাই হৈ গৈছিল। আজিহে
আমাৰ বিবাহ সম্পূৰ্ণ হ'ল।
তাৰ পাছত···

অলপ পৰলৈ নিৰ্বাক দৃষ্টিৰে চাই থকাৰ পাছত বিনন্দই কৈ উঠিল, "মানুহৰ জগত-খনৰ বাহিৰে যে আন এখন জগত আছে, থাকিব পাৰে. সেই কথা মোৰ সুদূৰতম কল্পনায়ো ঢুকি পোৱা নাছিল। সেই অন্য জগতৰ এগৰাকী নাৰীৰ লগত তোমাৰ ইমান সাদৃশ্য দেখি মই বিস্মিত-অভিভূত।"

"তুমি যিগৰাকী নাৰীৰ কথা কৈছা, ভালকৈ নিৰীক্ষণ কৰা, ময়েই সেই নাৰী। যিজনীৰ গীত শুনি তুমি মুগ্ধ হৈছিলা, মই

মনোজ দাস

সেইজনীয়েই।" সোণৰ প্ৰতিমাই ক'লে।

"তেতিয়ালৈকো তো তোমাৰ মাজত প্ৰাণ সঞ্চাৰিত হোৱা নাছিল। এই কথা তুমি জানিলানো কেনেকৈ!"

এই প্ৰশ্নৰ উত্তৰত সোণৰ প্ৰতিমাই ক'লে, "সকলো ঘটনা—মোৰ স্বৰ্ণ-হৃদয়তো অঁকা আছিল, আৰু আজিও আছে।"

"হয়নে!" আনন্দিত বিনন্দই ক'লে।

"চোৱা বিনন্দ, এই পদুম পাহ তুমি শুঙিলেই মোৰ প্ৰকৃত পৰিচয় তোমাৰ ওচৰত ওলাই পৰিব।" এই বুলি কৈ, এপাহ পদুম স্বৰ্ণ প্ৰতিমাই বিনন্দৰ হাতত দিলে। ফুলপাহ নাকৰ ওচৰলৈ নিয়াৰ লগে লগেই বিনন্দৰ দৃষ্টিৰ আগত ভাহি উঠিল বিৰাট পাহাৰৰ ওপৰত থকা এটা বৃহৎ প্ৰসাদ। সেই প্ৰাসাদত সি নিজেই যেনিবা এটা সোণৰ মূৰ্তি খোদিত কৰি আছে। অতি অভাৱিত এই দৃশ্য দেখি সি তৎক্ষণাৎ মানিলে। প্ৰকৃততে —যিজনে খোদিত কৰিছে—সেইজন নিশ্চয় যুৱৰাজেই হ'ব। —তেতিয়াহে বিনন্দৰ এটা ধাৰণা হ'ল যে—সি তাৰ নিজৰ অতীতকহে দেখা পাইছে! অতীতত সিয়েই আছিল এই যুৱৰাজ! সি নিজেই আছিল স্বৰ্ণ-প্ৰতিমাৰ স্ৰজেঁাতা।

যুৱৰাণীয়ে বিনন্দক ক'লে, "এই ঠাইত আৰু অধিক সময় আমি নাথাকোঁ, থকা উচিত নহ'ব। দুষ্ট তান্ত্ৰিক এটাই ৰজাৰ ভাও দি গৈছে। সেই ৰজাৰ ভাও দিয়া তান্ত্ৰিকটোৱে মোক বিয়া কৰাবলৈ কিমান যে ছল-চন্দ্ৰ কৰি আছে! যদি সি মোক বিয়া কৰাব নোৱাৰে, তেনেহ'লে সি মোক গলাই পেলাব। মোৰ দেহস্থ সোণৰ প্ৰতিও তাৰ দৃষ্টি আছে।"

গৈ গৈ বিনন্দ আৰু যুৱৰাণীয়ে এটা পাহাৰৰ টিং পালেগৈ। দুয়ো পাহাৰৰ টিঙত থিয় হৈ থাকিল। বহু সময়ৰ অন্তত পূব দিগন্তত দেখা গ'ল পোহৰৰ সমদল।

পাহাৰৰ চূড়াত থিয় হৈ যুৱৰাণীয়ে

পূৰ্ব-দিগন্তলৈ চাই বিনন্দক ক'লে, "পৃথিৱী যে কিমান ধুনীয়া! নহয়নে বিনন্দ?"

"সঁচা—কিমান যে ধুনীয়া! আৰু—" বিনন্দই কথাষাৰ নৌশেষ কৰিবলৈ পাওঁতেই সেই পাহাৰটোৰ নামনিত হৈ-চৈৰ শব্দ উঠিল। দুটা মানুহে উত্তেজিত-ভাৱে পৰস্পৰৰ লগত কথা পাতি আছিল। ইহঁত দুটা আছিল ৰাজদ্ৰোহী।

ইটোৱে আনটোক কৈ আছিল, "ইয়াত থকা সোণৰ মূৰ্তিটোৰ কি হ'ল? কোনে নিলে? কোনে চুৰ কৰিলে?"

দুয়োটাই বলিয়াৰদৰে দৰে চিঞৰি খলক লগালে আৰু ল'ৰা-ধপৰা কৰি সোণৰ প্ৰতিমা বিচাৰি ফুৰিবলৈ ধৰিলে।

আৰু চাওঁতে চাওঁতে সেই দুষ্টৰো দুষ্ট তান্ত্ৰিক তাত উপস্থিত হ'লহি।

তান্ত্ৰিকে তাৰ সৰ্বশক্তিৰে চিঞৰি উঠিল, "ক'ত সেই প্ৰতিমা—সেই সোণৰ প্ৰতিমা! সোণৰ সেই প্ৰতিমাক বিচাৰি উলিয়াবই লাগিব। উলিয়াব নোৱাৰিলে মই — কাকো ৰেহাই নিদিওঁ, আটাই-বিলাককে মই কচুকটা দিম!"

প্ৰহৰীহঁতক তান্ত্ৰিকটোৱে ভাবি-হুঁকি দিয়েই থাকিল। সি যে আচল ৰজাক বন্দী কৰি এন্ধাৰ গাঁতৰ ভিতৰত থৈ নিজে ৰজাৰ সাজ-পাৰ পিন্ধি আছে— সেই কথা সমূলি পাহৰি গৰ্জি উঠিল, "সেই হাৰামৰ নেগুৰ ৰজাটোৱেই নিশ্চয়

সোণৰ প্ৰতিমাক চুৰ কৰিলে!”

তান্ত্ৰিকৰ কথা শুনি তাত উপস্থিত থকা মন্ত্ৰী আৰু অন্যান্য বৰমূৰীয়সকলেও তাৰ পাছত—যিটো অন্ধকাৰ গুহাৰূপী গাঁতৰ ভিতৰত ৰজাক বন্দী কৰি থোৱা হৈছিল, প্ৰহৰী কেইটামানক লগত লৈ তান্ত্ৰিক সেই গুহাৰ পিনে গৈ থাকিল। তান্ত্ৰিকে প্ৰহৰীইঁতক সেই গুহাটো ভাঙি পেলাবলৈ ক'লে আৰু ৰজাৰ বেশত থকা তান্ত্ৰিকৰ আদেশ মতে প্ৰহৰীইঁতে গুহাৰ দেৱাল ভাঙি পেলাবলৈ ধৰিলে।

সেই ডাঠ অন্ধকাৰ গুহাৰূপী গাঁতৰ ভিতৰত আচল ৰজা এটা ধুম বলিয়াৰ দৰে বহি আছিল। তেওঁ খীণাই-শুকাই হাড়ে-ছালে লগা হৈ পৰিছিল।

ৰজাই একেজাঁপে তান্ত্ৰিকৰ ওচৰ পালেগৈ আৰু তান্ত্ৰিকৰে কঁকালত ওলমি থকা তৰোৱালখন খাপৰপৰা উলিয়াই লৈ একেঘাপে তাক ছুটুকুৰা কৰি পেলালে। তান্ত্ৰিকৰ দেহৰক্ষীহঁতে আচল ৰজাৰ কণ্ঠস্বৰ শুনিয়েই তভক খাই ৰৈ গ'ল।

ৰজাই মন্ত্ৰী আৰু অন্যান্যক নাম কাঢ়ি মাতিলে আৰু খোৱাবস্তু দিবলৈ ক'লে।

ৰজাক নানাবিধৰ খাদ্যবস্তু আনি দিয়া হ'ল। খাই-বৈ সুস্থ হৈ ৰজাই সকলোকে ক'লে, “সোণৰ প্ৰতিমা য'ত আছিল, তাৰ তলত মোণে মোণে সোণ আছে। এই সোণ আমৰ দেশৰ সম্পদ। কেই-দিনমানৰ পাছত এই সোণ তোমালোকৰ মাজত ভগাই দিয়া হ'ব। আৰু পলম নকৰি খান্দি থাকাঁ। পলম কৰিলেই অন্য বিপদে মূৰ দাঙিব পাৰে।” ৰজাই ক'লে।

যিহঁতে সোণৰ প্ৰতিমাক বিচাৰি আহিছিল, সিহঁতে দুগুণ উৎসাহৰে খন্দাৰ কামত হাত উজান দিলে। মোণে মোণে সোণ মুঠিলেও মোণে মোণে মাটিউঠিল।

হঠাৎ বজ্ৰপাতৰ দৰে এটা শব্দ উঠিল। খান্দি থকা ঠাইৰপৰা সবেগে ওপৰলৈ কিবা যেন জুলীয়া বস্তু ওলাল। ভয়

খাই সকলো অলপ আঁতৰি গ'ল। তাৰ পাছত আতংকমিশ্ৰিত বিস্ময়েৰে সৈতে দেখিলে যে—মাটিৰ তলৰপৰা ওলোৱা সেই জুলীয়া বস্তু গলিত সোণৰ বাহিৰে আন একো নহয়! এই গলিত সোণৰ মাটিৰ তলৰপৰা জুলীয়া হৈ ওলাই বহু ওপৰলৈ উৎক্ষিপ্ত হৈছে! সকলোটিয়েই নিৰ্বাক-নিস্পন্দ শিলৰ মূৰ্তিৰ দৰে চাই থাকিল সেই গলিত সোণৰ নিজৰালৈ।

এই গলিত সোণ নিক্ষিপ্ত হৈ যিহঁতৰ গাত পৰিছিল, সিহঁতৰ সৰ্বাংগ পুৰি গৈছিল। কোনোবা লগে লগে মৰিল, কোনোবা অচেতন হৈ বাগৰি পৰিল গলিত সোণৰ গাপেৰে। ৰজা, মন্ত্ৰী আৰু অন্যান্য লোকসকলো গলন্ত সোণৰ এই মৰণান্তিক যন্ত্ৰণাৰপৰা সম্পূৰ্ণ ৰেহাই নাপালে। তেওঁলোকে এই বিপদৰপৰা সাৰিবলৈ চেষ্টা কৰিও পৰিপূৰ্ণভাৱে কৃতকাৰ্য্য নহ'ল।

তেওঁলোকে যি যেনিয়েদি পাৰিলে পলাবলৈ ধৰিলে। কিন্তু গলিত তপত সোণৰ সোঁতও তেওঁলোকৰ পিছে পিছে সবেগে ধাৱিত হ'ল। এই গলিত সোণৰ প্ৰবাহৰপৰা কোনেও সম্পূৰ্ণভাৱে নিজক আঁতৰাই ৰাখিবলৈ সমৰ্থ নহ'ল। এইদৰে, বহু সময় ধৰি এই জুলীয়া সোণৰ বলিয়া সোঁত প্ৰায় একেই বিধৰ হৈ আছিল। পলৰীয়াহঁত যিমান বেগাই পলায়, তপত জুলীয়া সোণৰ প্ৰবাহ তাতোকৈ বেগাই ওলায়। মানুহৰ ক্ৰন্দনক তল পেলাই উঠে জুলীয়া সোণ ওলোৱাৰ এক ভয়ংকৰ গপগপীয়া গৰ্জন......।

"স্বৰ্ণ-উপত্যকা এতিয়া মৃত্যু উপত্যকা হৈ পৰিল দেখিছোঁ।" যুৱৰাণীয়ে দুশ্চিন্তাগ্ৰস্ত অৱস্থাত বিনন্দক ক'লে।

বিনন্দই দীঘলকৈ হুমুনিয়াহ কাঢ়ি ক'লে, "অলপ সময়ৰ আগতে—পাহাৰৰ তলৰ পৃথিৱীখনলৈ চাই তুমি অভিভূত হৈ কৈছিলা—পৃথিৱীখন যে ইমান সুন্দৰ। কিন্তু এই সুন্দৰ পৃথিৱীৰ বুকুতে আছে

দুষ্টবুদ্ধি মানুহৰ অশান্তি-অথন্তৰ। মানুহে নিজেই খান্দে নিজৰ কবৰ!"

অলপ পৰলৈ নিৰ্বাক দৃষ্টি মেলি চাই থকাৰ অন্তত য়ুৰৱাণীয়ে সুধিলে, "এতিয়া তেন্তে — আমাৰ কৰ্তব্য কি? আমি ক'লৈনো যাম? কি কৰিম?"

"আমি এতিয়া ইয়াতে থাকিম। ইয়াত থাকিয়েই পৃথিৱীৰ মানুহৰ বাবে প্ৰাৰ্থনা কৰিম। আমাৰ প্ৰাৰ্থনাৰ শক্তিৰে পলাই যোৱা মানুহখিনি পুনৰ ইয়ালৈ উভতি আহিব। সেই মানুহখিনিয়ে আকৌ নতুনকৈ ঘৰ বান্ধি বসবাস কৰিব।"

বিনন্দই ক'লে, "আমি তেওঁলোকক সহায় কৰিম, আমাৰ সাধ্যে কুলায়মানে নিশ্চয় সহায় কৰিম।"

"সৌৰা চোৰা, গলিত সোণ আকৌ গোট মাৰিব ধৰিছে চোৰা। আকৌ— আগৰ দৰে দ'ম খাই খাই সোণৰ পাহাৰ হৈ পৰিব।" য়ুৰৱাণীয়ে ক'লে।

"সোণ গলিলেও গেলি নাযায়, গোট খালেও গন্ধনা নপৰে, জ্বলি থাকিলেও নষ্ট নহৈ অধিক খাঁটিহে হয়। মানুহৰ মনো সোণৰ দৰেই—জ্বলি পুৰি খাঁটী হয়, প্ৰতিৰোধী হয়। সৌৰা — সৌ ঘুলিটোলৈ চোৱা। সেই পানী খোৱাৰ অযোগ্য। কিন্তু তথাপি সেই পানীত পদুম ফুলিছে! প্ৰকৃতিৰ লেতেৰা বোকাতো যদি পদুম ফুলে—মানুহৰ অসুন্দৰ মনতো কিয়নো এদিন সুন্দৰৰ প্ৰকাশ নহ'ব?" বিনন্দই অনিন্দ্য আনন্দৰে ক'লে।

"নিশ্চয় প্ৰকাশিত হ'ব।" য়ুৰৱাণীয়ে ক'লে, "মানুহৰ মনৰ সুন্দৰতা নিশ্চয়েই এদিন নহয় এদিন বিকশিত হ'বই— এনেহেন মনমোহা সুন্দৰী পৃথিৱীত।"

বিস্মিত বিনন্দই য়ুৰৱাণীলৈ চাই নীৰৱে হাঁহিলে মাথোন।

দুয়োৰো দৃষ্টিত তেতিয়া আত্মবিশ্বাসৰ স্বৰ্ণালোক! প্ৰত্যাশাৰ পোহৰ! [অন্ত]

নিয়মৰ ব্যতিক্ৰম

ৰজাই পোছাক-পাতি পিন্ধনৰ বিষয়ে ঘোষণা জাৰি কৰিলে : প্ৰতিজনৰ আপাদমস্তক-পোছাকেৰে ঢকা হৈ থাকিব লাগিব। ৰজাৰ এই ঘোষণাৰ পাছত ৰাজপ্ৰহৰীইঁতে ঘাটকৰা বাটকৰাসকলৰ ওপৰত সতৰ্ক দৃষ্টি দিবলৈ ধৰিলে।

এদিন প্ৰহৰীইঁতে তিনিজন বাটকৰাক বন্দী কৰিলে। বন্দী কৰি তিনিওকো ৰজাৰ ওচৰলৈ লৈ গ'ল। বন্দী তিনিজনৰ মাজত এজনৰ পিন্ধনত আছিল কৌপীন নামৰ লেংটি। দ্বিতীয়জনৰো মূৰৰপৰা ভৰিলৈকে ঢকা নাছিল, তেওঁকো আধা-নঙঠা বুলি ক'ব পৰা যায়। আৰু—তৃতীয়জন বন্দী আছিল এজন সন্ন্যাসী। তেওঁৰ পিন্ধনত আছিল সামান্য গেৰুৱা কাপোৰ। প্ৰথমজন আছিল এজন অৰণ্যবাসী মানুহ। ৰজাৰ কাষত বহি থকা মহামন্ত্ৰীয়ে প্ৰথমজন বন্দীক বিদ্যালয় এখনত আশ্ৰয় দিবলৈ নিৰ্দেশ দিলে। দ্বিতীয়জন বন্দীক সৌকাৰে দহ কোব শোধাবলৈ আদেশ দিলে। আৰু সন্ন্যাসীক এৰি দিবলৈ ক'লে।

ৰজাই মন্ত্ৰীক সুধিলে, "একেবিধৰ অপৰাধত তিনিবিধৰ শাস্তি কিয়?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ! আপোনাৰ ঘোষণা মতে তিনিও-জনেই সমান অপৰাধী। পিছে—প্ৰথমজন যিহেতু অৰণ্যবাসী—সিহেতুকে তেওঁ তেওঁৰ চিৰদিনীয়া পোছাক পিন্ধিছে। দ্বিতীয়জনৰ আৰ্থিক ক্ষমতা নাই। আৰু তৃতীয়জন হ'ল সন্ন্যাসী। সেইদেখি—দ্বিতীয়জনক সামান্য শাস্তি বিহিলোঁ, তৃতীয়জনক এৰি দিলোঁ। কিয়নো—আমাৰ দেশত সাধু-সন্ন্যাসীসকলৰ সেইখিনিয়েই পোছাক। গতিকে একেটা অপৰাধৰ বাবে একেবিধৰ দণ্ড সম্ভৱ নহ'ল। নিয়মৰো ব্যতিক্ৰম কৰিব লাগে। এয়ে নিয়ম।"

মহামন্ত্ৰীৰ মহাযুক্তি শুনি মহাৰাজ মনে মনে থাকিল।

সাপ আৰু মানুহ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, পৃথিৱীৰ প্ৰাণীকুলৰ মাজত সাম্য আৰু লগতে বৈষম্যও আছে। মোৰ এই কথাষাৰ যদি দলিয়াই পেলোৱা, মোৰ ক্ষতি নহ'ব, তোমাৰ কিন্তু যথেষ্ট ক্ষতি হ'ব। এই বিষয়ে তোমাক মই সিদ্ধেন্দ্ৰ নামৰ এজন সাধুৰ কাহিনী ক'ম। এই কাহিনীয়ে কিজানি তোমাৰ কিঞ্চিৎ জ্ঞানোদয় কৰিব পাৰিব। যদি তোমাৰ জ্ঞানোদয় কৰিব নোৱাৰেও, তথাপি, তোমাৰ পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

'বেতাল-কথা'

'বিন্ধ্য পৰ্বতৰ এটা গুহাৰ ভিতৰত সিদ্ধেন্দ্ৰ নামৰ সাধু এজনে বহুকাল ধৰি তপস্যা কৰাৰ অন্তত ভাবিলেঃ যিমানখিনি জ্ঞান পাব লাগিছিল — পালোঁৱেই। এতিয়া মই দেশবাসীক জ্ঞানৰ পোহৰ দেখুৱাম। —এই কথা ভাবি, তেওঁ বিন্ধ্য পৰ্বতৰ পৰা নামি আহিল আৰু নামি আহি সিদ্ধেন্দ্ৰ ৰাইজৰ এজন হ'বৰ বাবে ৰাইজৰ মাজলৈ গৈ থাকিল।

গৈ থাকোঁতে, এঠাইত কুঁৱা এটাৰ ভিতৰৰপৰা করুণ কান্দোনৰ শব্দ ভাহি আহিল। কুঁৱাটোৰ পাৰত থিয় হৈ সিদ্ধেন্দ্ৰই ভিতৰলৈ চাই পঠালে। কথা আচৰিতেই, কিয়নো, কুঁৱাৰপৰা মানুহৰ কণ্ঠৰ কান্দোনৰ শব্দ উঠিছিল ; কিন্তু কুঁৱাৰ ভিতৰত মানুহৰ সলনি সিদ্ধেন্দ্ৰই এডাল বিৰাট দীঘল সাপকহে দেখা পালে। সাপটোৰ চকুযুৰি আছিল অতি উজ্জল। আৰু সাপটোৰ দেহৰপৰা আচৰিত ধৰণে পোহৰ ওলাইছিল।

সাপটোৱে প্ৰাৰ্থনাৰ ভংগীৰে তাৰ ফেঁট জোকাৰি থাকিল। সি তাৰ বিৰাট ফেঁটটো জোকাৰি জোকাৰি যেনিবা তাক উদ্ধাৰৰ বাবেহে সাধু সিদ্ধেন্দ্ৰলৈ আকুল প্ৰাৰ্থনা জনাইছিল।

সাধু সিদ্ধেন্দ্ৰই সাপটোৰ প্ৰাৰ্থনাৰ কথা অনুভৱ কৰিলে আৰু এটা সৰোবৰৰপৰা পদুমৰ ঠাৰি কিছুখিনি বুটলি আনি, সেইবোৰ ঠাৰিৰে ৰছী বনাই সেই ৰছীৰ সহায়ত সাপটোক কুঁৱাৰ ভিতৰৰপৰা উঠাই আনিলে।

এই সাপটোৰ নাম আছিল সাত্যকী। সৰ্প সাত্যকীয়ে সবিনয়ে সাধু সিদ্ধেন্দ্ৰক ক'লে, "হে মহাত্মা, মই মাটিৰ তলত গভীৰ গাঁতৰ ভিতৰত বাস কৰোঁ। এবাৰ গাঁতৰপৰা মই মোৰ পোৱালিকেইটিৰে সৈতে ওলাই আহিলোঁ আৰু প্ৰায় লগে লগে এজন মানুহে মোক গছকি দিলে। খঙতে মই মুহূৰ্ত্ততে ফেঁট মেলিলোঁ

খুটিবলৈ। কিন্তু সেই মানুহজনে ক্ষমা প্ৰাৰ্থনা কৰাত তেওঁক আৰু নুখুটিলোঁ। মানুহজনে মোৰ আৰু মোৰ পোৱালি-কেইটিকো একলহ গাখীৰ আনি দিলে। এই গাখীৰ খোৱাৰ লগে লগে মোৰ আৰু পোৱালিকেইটৰো দেহা অৱশ যেন হৈ পৰিল। তাৰ পাছত সেই মানুহজনে মোক এই কুঁৱাৰ ভিতৰলৈ দলিয়াই পেলালে। সেই তেতিয়াৰেপৰা মই এই গভীৰ অন্ধকাৰ কুঁৱাৰ ভিতৰত আছোঁ। মোৰ সেই পোৱালিকেইটিৰ যে কি হ'ল ক'ব নোৱাৰোঁ।”

সৰ্প সাত্যকীৰ কথাখিনি শুনাৰ অন্তত সাধু সিদ্ধেন্দ্ৰ ধ্যানমগ্ন হ'ল এই ঘটনাৰ বিশদ জানিবলৈ।

বহু সময়লৈকে ধ্যানমগ্ন হৈ থকাৰ অন্তত সাধু সিদ্ধেন্দ্ৰই জানিব পাৰিলে যে পোলিয়া গাঁৱৰ সাপ-ধৰা মানুহ মহেন্দ্ৰ নামৰ এজন মানুহহে এই অপকৰ্ম কৰিলে।

সাধু সিদ্ধেন্দ্ৰই সৰ্প সাত্যকীক ক'লে, “তুমি দুখ নকৰিবা। তুমি তোমাৰ গাঁতলৈ উভতি যোৱা। মই তোমাৰ কাৰণে কি কৰিব পাৰোঁ চাওঁ।”

সিদ্ধেন্দ্ৰ তাৰ পাছত পোলিয়া গাঁৱৰ মহেন্দ্ৰৰ ওচৰলৈ গ'ল আৰু তাক বিচাৰি উলিয়াই ক'লে, “তুমি সাত্যকীৰ নামৰ সাপটোৰ লগত ঘৃণ্য অবিশ্বাসীৰ আচৰণ কৰিলা কিয়?”

মহেন্দ্ৰই ক'লে, “প্ৰভু, মোৰ হয়তো অপৰাধ অলপ হৈছে, কিন্তু এয়ে মোৰ জীৱিকা। সাপটোৱে মোক অৱশ্যে খুটি মাৰি পেলোৱা নাছিল, ময়ো তাক পিটি মাৰি পেলোৱা নাছিলোঁ। আৰু তাৰ পোৱালিবিলাকক মই নিজৰ ওচৰতে ৰাখি থৈছোঁ। সিহঁতৰ বিষখিনি উলিয়াই লৈ মই বিক্ৰি কৰোঁ। আপুনি যদি কয়, মই সিহঁতক এৰি দিবলৈকো সাজু আছোঁ। কিন্তু—হে প্ৰভু! যদি অপৰাধ



নলয়—কওঁ, আপুনি অনুগ্ৰহ কৰি মোৰ কাম মোক কৰিবলৈ দিয়ক। আপুনি মোৰ একমাত্ৰ জীৱিকা নষ্ট নকৰিব—এয়ে মোৰ নম্ৰ প্ৰাৰ্থনা, প্ৰভু!"

সাধুৱে মহেন্দ্ৰক লৈ গ'ল সাত্যকীৰ ওচৰলৈ। সাত্যকীয়ে মহেন্দ্ৰৰ এনে পৰিৱৰ্তন দেখি ভাল পাই, নিজৰ মূৰৰ মণি উপহাৰ হিচাপে মহেন্দ্ৰক প্ৰদান কৰি সাধু সিদ্ধেন্দ্ৰৰ প্ৰতি সন্মান জ্ঞাপন কৰিলে তথা কৃতজ্ঞতা প্ৰকাশ কৰিলে।

তাৰ পাছত বহু দিন-বহু কাল পাৰ হ'ল। আৰু তাৰ পাছত—

এদিন সাধু সিদ্ধেন্দ্ৰৰ মন গ'ল সৰ্প সাত্যকীৰ খা-খবৰ ল'বলৈ। সেই গাঁতটোৰ ওচৰতে সাত্যকী আছিল। সাত্যকী অত্যন্ত খীণাই গৈছিল। কিয় ইমান খীণালে সেই কথা সাধুৱে সোধাত সাত্যকীয়ে ক'লেঃ

মণি পোৱাৰ পাছৰপৰা মহেন্দ্ৰ ঘনাই সাপবিলাকৰ ওচৰলৈ আহিছিল, আৰু কিছুদিনলৈ বেছ ভালেই ব্যৱহাৰ কৰিছিল। এদিন মহেন্দ্ৰই কৌশলেৰে আটাইবোৰ সাপক গাঁতৰপৰা উলিয়াই আনি, এঠাইত গোট খুৱাই, চাৰিওফালৰপৰা জুই লগাই দিলে। প্ৰতিটো সাপ যেতিয়া পুৰি মৰিল, তেতিয়া সাপবিলাকৰ মূৰৰপৰা মণিবোৰ হস্তগত কৰি মহেন্দ্ৰ লক্ষপতি হৈ গ'ল। ইমানবোৰ সৰ্পৰ মৃত্যুৰ কাৰণে মই নিজকে অপৰাধী বুলি ভাবিছোঁ। আৰু তেতিয়াৰেপৰাই মই খীণাই গৈছোঁ। মোৰ অপৰাধবোধৰপৰা মোৰ মুক্তি কোনো কালে নহ'ব।"

ক্ৰুদ্ধ সাধু সিদ্ধেন্দ্ৰ তৎক্ষণাৎ মহেন্দ্ৰক বিচাৰি গ'ল। সাধু সিদ্ধেন্দ্ৰই যেতিয়া তাক বিচাৰি উলিয়ালে তেতিয়া মহেন্দ্ৰই নিজৰ ঘৰৰ ওচৰতে প্ৰতিষ্ঠা কৰা নাগ-মন্দিৰত নাগৰ পূজা কৰি আছিল।

সাধু সিদ্ধেন্দ্ৰই গৰ্জি উঠি ক'লে, "হেৰা দুৰাত্মা মহেন্দ্ৰ! অসংখ্য সাপক হত্যা কৰি এতিয়া নাগ-দেৱতাক পূজা কৰিছা?"

মহেন্দ্ৰই বিনম্ৰভাৱে ক'লে, "প্ৰভু, মোৰ এই কাৰ্য্যত কিবা অপৰাধ হৈছে বুলি মই নাভাবোঁ। প্ৰথমবাৰ সাত্যকীয়ে মোৰ উপকাৰ কৰাৰ দৰে ময়ো তাৰ উপকাৰ কৰিছিলোঁ। কিন্তু চিৰকাল ধৰিয়েই মই তেনে উপকাৰ কৰি থাকিম বুলি তাক মই কথা দিয়া নাছিলোঁ। জানেই সাপৰ সক-বৰ নাই। সাপে যিমানেই যি নকৰক, মানুহে তাক ভয় কৰিবই, মানুহ আৰু সাপৰ মাজত স্বাৰ্থৰ প্ৰশ্ন থাকিলেও বিশ্বাসৰ প্ৰশ্ন নাই।"

সাধু সিদ্ধেন্দ্ৰই মহেন্দ্ৰক অভিশাপ দিলে, "আজিৰপৰা তুমিও এডাল সাপ হৈ পৰি থাকিবা।"

কিন্তু সিদ্ধেন্দ্ৰৰ এই অভিশাপ নফলিল। সাধু সিদ্ধেন্দ্ৰ অবাক হৈ তলমূৰ হৈ তাৰপৰা গুচি গ'ল।'

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা! ইমান বিৰাট তপস্যাকাৰী সাধু সিদ্ধেন্দ্ৰৰ এই অভিশাপ ফলৱতী নহ'ল কিয়? মহেন্দ্ৰ ইমানেই পুণ্যৱান আছিলনে? মোৰ প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "নহয়, সাপ-ধৰা মানুহ মহেন্দ্ৰ পুণ্যৱান নাছিল; কিন্তু সাধু সিদ্ধেন্দ্ৰই পাপ কৰিছিল বুলিহে তেওঁৰ অভিশাপ কাৰ্য্যকৰী হোৱা নাছিল। মহেন্দ্ৰ যে খল, সি যে দৰাচলতে সাপতকৈয়ো দুৰ্জন, সেই কথা সাধুৱে জানিও নজনাৰ দৰে আচৰণ কৰি সাপবিলাকৰ মৰ্মান্তিক মৃত্যুৰ বন্দবস্ত কৰিছিল। সেই দেখিও নেদেখাৰ ফলত সাধু সিদ্ধেন্দ্ৰৰ অভিশাপ মহেন্দ্ৰৰ ওপৰত কাৰ্য্যকৰী হোৱা নাছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

সত্যনাৰায়ণৰ ভতিজা

কোনোবা এখন দেশত জগন্নাথ নামৰ এজন গৃহস্থ আছিল। জগন্নাথৰ আছিল এজনী ছোৱালী। ছোৱালীজনী ডাঙৰ হ'ল দীঘল হ'ল, আৰু দিন মাহ-বছৰ বাগৰাৰ লগে লগে বয়সেও বাগৰ সলাই সলাই বিয়াৰ বয়স পোৱা হ'ল।

জগন্নাথে মিছামিছিকৈ আৰু দেৰী নকৰি, চাই-চিতি চুবুৰীয়া গাঁৱৰ পাত্ৰ এজনৰ লগত ছোৱালী মায়াৰ যোৰা পাতি দিলে।

বিয়া হোৱাৰ ডেৰ বছৰমানৰ অন্তত মায়াৰ এটি ল'ৰা উপজিল। মায়াজনী তেতিয়া মাকৰ ঘৰতে আছিল। কেইমাহ-মানৰ অন্তত জোঁৱায়েকে খবৰ পঠালে যে—অমুক দিনত সি তাৰ পৰিবাৰক আৰু লগতে ল'ৰাটোকো লৈ যাবহি।

জগন্নাথ সাধাৰণ অৱস্থাৰ মানুহ। কথমপি ভদ্ৰতা বজায় ৰাখি চলিছিল। কিন্তু—জোঁৱায়েক অহাৰ দিনা যাতে কোনো ত্ৰুটি নহয়, আদৰ-যত্নত জগৰ ধৰিব নাপায় যাতে, তাৰ বাবে উঠি-পৰি যত্নপৰ হ'ল। জোঁৱায়েকক খুৱাবলৈ নানান ধৰণৰ মিঠাইৰো বন্দৰস্ত কৰিবলৈকো চেষ্টা কৰিলে।

কিন্তু জগন্নাথে চেষ্টা কৰিও কোনো বন্দৰস্তকে কৰিব নোৱৰা হ'ল। কথাটো তেওঁ তেওঁৰ পৰিবাৰকো ক'লে। লগতে এই কথাটোও ক'লে যে, যদি ইয়ালৈ অহাৰ পাছত জোঁৱায়েকে আমাৰ ঘৰত আনকি ঘৰুৱা কাম বন কৰা মানুহ এটাও নাই বুলি দেখা পায়—তেনেহ'লে—সেয়া দেখোন দস্তুৰমত অপমানৰ কথাহে হ'বগৈ।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

পায়স-পিঠাৰ সুগন্ধ পাই এটা মগনিয়া ঘৰৰ আগত আহি থিয় হৈ থাকিল। সি ভাবিলে ঃ যেনেতেনে আজি ইয়াত পাত পাৰিব লাগিব, নহ'লে নহ'ব।

“আমাৰ পায়স-পিঠাখিনি সি ভাল পায়নে নাপায় বা ?” জগন্নাথৰ পৰিবাৰে জগমোহিনীয়ে জগন্নাথক ক'লে, “সি আহেবা কেতিয়া— ?”

মগনিয়াৰটোৱে আঁৰত থিয় হৈ, কথাংখিনি শুনি, তাৰ নিজৰ ঘৰলৈ গৈ, চাফা কাপোৰ-কানি পিন্ধি লৈ পুনৰ জগন্নাথহঁতৰ ঘৰ পালেহি।

আৰু ঠিক তেতিয়াই ঘোঁৰা-বাগীৰপৰা নামি আহিল জগন্নাথৰ জোঁৱায়েক।

মগনিয়াটোৱে জগনাথৰ জোঁৱায়েকৰ বাকচটো মূৰত কঢ়িয়াই লৈ জোঁৱায়েকৰ পিছে পিছে গৈ গৈ ঘৰৰ ভিতৰলৈ সোমালগৈ। জগন্নাথে মগনিয়াৰটোক জোঁৱায়েকহঁতৰ ঘৰৰে কাম কৰা মানুহ বুলি ভাবি ল'লে।

আনহাতে—জোঁৱায়েকে ভাবিলে যে এই মানুহজন নিশ্চয় শহুৰদেউতাহঁতৰ ঘৰুৱা কাম-বন কৰা মানুহ হ'ব।

যি কি নহওক — হাজাৰ হওক জোঁৱায়েকৰ ঘৰৰ চাকৰ — গতিকে জগন্নাথৰ পৰিবাৰে তাৰ বাবেও খোৱা-বোৱাৰ যাক বোলে একেবাৰে পৰিপাটী বন্দৱস্ত নকৰাকৈ নাথাকিল।



জগন্নাথে লগুৱাৰূপী মগনিয়াৰটোকো যথাযোগ্য মৰ্য্যাদাৰে খুৱালে। সি নাও-পেটাৰ দৰে মৰ-খাৱনে খাই হাত-মুখ ধুই ভাবি থাকিল ঃ এতিয়া কি কৰোঁ মই ?

খোৱা-বোৱাৰ অন্তত জগন্নাথে তেওঁৰ জোঁৱায়েকক নতুন চুৰিয়া-চোলা দিলে। আৰু দিলে টোপোলাত বান্ধি কিছুখিনি পিঠা—ঘৰলৈ লৈ যাবলৈ।

তাৰ পাছত এখন ঘোঁৰাৰ গাড়ী মাতি অনা হ'ল। সেই মগনিয়াটোৱে জোঁৱায়েকৰ মাল-মতংখিনি ঘোঁৰাৰ-গাড়ীত থৈ দিলে। গাড়ীত পৰিবাৰৰে সৈতে ভালকৈ বহি লৈ, গাড়ী এৰাৰ আগ মুহূৰ্তত জোঁৱায়েকে এই ঘৰৰ কাম কৰা বামুহ বুলি ভবা মগনিয়াৰটোক বখছিচ হিচাপে পাঁচটকীয়া এখন দিলে।

গাড়ীখন গৈ থাকিল। তেতিয়া জগন্নাথৰ ছোৱালীজনীয়ে তাইৰ গিৰিয়েকক সুধিলে, "তুমি তাক টকা দিলা কিয় ?"

"সি তোমালোকৰ ঘৰৰ কামকৰা মানুহ নহয় জানো ?"

"কি !" জগন্নাথৰ ছোৱালীজনীয়ে কৈ উঠিল, "আমি দেখোন তাক ন-কৈ মকৰল কৰা তোমালোকৰ ঘৰৰ কাম কৰা মানুহ বুলি ভাবিছিলোঁ !"

দুয়ো হাঁহি উঠিল।

জগন্নাথৰ পৰিবাৰে জগন্নাথক ক'লে, "বোলোঁ দেখিছানে—? আমাৰ জোঁৱায়েৰ-হঁতৰ ঘৰুৱা কাম কৰা মানুহটো দেখোন গাড়ীত সুঠিল। সি দেখোন শহাৰ দৰে খৰকৈ খোজ দি দি বহুদূৰ পালেইগৈ !"

"তেনেহ'লে—সিনো বাৰু কোন ? সি আমাৰো নহয়, সিহঁতৰো নহয়। সিনো ক'ৰ, কোননো সি ?" জগন্নাথে সুধিলে।

"কোন আক' — সি বেটা—সিয়েই কিজানি সত্যনাৰায়ণৰ ভতিজাক।" এই বুলি কৈয়েই জগন্নাথৰ পৰিবাৰে ধাম্‌কৈ দুৱাৰখন মাৰি দিলে।



চান্দমামা ক্রোড়-পত্র-৩

জ্ঞানভাণ্ডাৰ

ঐতিহাসিক ব্যক্তিসকল

শ্বাহজাহান

দিল্লীৰ পঞ্চম মোগল বাদশ্বাহ জাহাংগীৰৰ পুত্ৰ খুৰ্ৰম তথা শ্বাহজাহান ১৫৯২ চনৰ ৫ জানুৱাৰিত জন্মগ্ৰহণ কৰিছিল।

১৬২৭ চনৰ অক্টোবাৰ মাহত জাহাংগীৰৰ মৃত্যুকালত শ্বাহজাহান দেক্কানত আছিল। জাহাংগীৰৰ পত্নী নুৰজাহানে সৰু শ্বাহজাদা (ৰাজকোঁৱৰ) শ্বাহৰিয়াৰে সিংহাসনত অধিষ্ঠিত হোৱাটোকে বিচাৰিছিল। কিন্তু শ্বাহজাহানে তেওঁৰ শহুৰেক আচফ খানৰ সহায়ত ৰাজধানী দখল কৰি ল'লে। শ্বাহজাহানে ভুবনবিদিত ময়ূৰ সিংহাসন নিৰ্মাণ কৰিছিল। তেওঁ আগ্ৰাৰ জুম্মা মছজিদ আৰু দিল্লীৰ লালকিল্লাও নিৰ্মাণ কৰিছিল। কিন্তু তেওঁৰ অমৰ কীৰ্তি আছিল আগ্ৰাৰ তাজমহল। তাজমহল হ'ল শ্বাহজাহানৰ পত্নী মুমতাজ বেগমৰ সমাধি। ১৬৫৭ চনত শ্বাজাহান অসুস্থ হৈ পৰিল আৰু লগে লগে তেওঁ চাৰিওপুত্ৰ—দাৰা, সুজা, আওৰংজেব আৰু মুৰাদৰ মাজত খোৱা-কামোৰা লাগিল সিংহাসনৰ বাবে। ১৬৫৮ চনত জুলাই মাহত আওৰংজেব বিজয়ী হ'ল আৰু সিংহাসন অধিকাৰ কৰিলে। শ্বাহজাহান বন্দী অৱস্থাত ১৬৬৬ চনত ঢুকাইছিল।

তেওঁ কোন ?

এগৰাকী ৰজাই তেওঁৰ পুত্ৰ আৰু ভতিজা-ভাগিনহঁতকো মন্দিৰৰ সমুখত গোট খাবলৈ ক'লে। এওঁলোকৰ মাজৰপৰা সিংহাসনৰ উত্তৰাধিকাৰী বাছি উলিয়াব ৰজাই। তেওঁ তেওঁৰ লগত ৰাজ পুৰোহিতকো ল'লে, যাতে পুৰোহিতে যোগ্যজনক বাছি উলিওৱাত সহায় কৰিব পাৰে তাৰ বাবে।

ৰাজ-পুৰোহিতে তাত গোটখোৱা কোঁৱৰহঁতক সুধিলে, "তোমালোকৰ মাজত কোনে আজি আটাইতকৈ ভাল জা-জলপান খাইছা, আটাইতকৈ ভাল বাহনত উঠি আহিছা, আৰু আটাইতকৈ ভাল আসনত বহিছা—কোৱাচোন ?"

কোঁৱৰহঁতৰ মাজত বহুতেই ৰথত, অশ্বত, সোণ-ৰূপেৰে বনকৰা বাহনত উঠি আহিছিল, কিছুমানে সিহঁতৰ লিগিৰাই কঢ়িয়াই অনা বাহনত উঠি আহিছিল।

প্ৰতিজন কোঁৱৰেই নিজ নিজ বাহন আৰু জাজলপানৰ কথা কোৱাৰ অন্তত এজন কোঁৱৰে থিয় হৈ ক'লে, "মই মোৰ মাতৃয়ে দিয়া ভালৰো ভাল জলপান খালোঁ, শ্ৰেষ্ঠ বাহন ভৰিৰে খোজ কাঢ়ি আহিলোঁ, আৰু শ্ৰেষ্ঠ আসন—ধৰিত্ৰীৰ মাটিত বহিলোঁ।"

কিংবদন্তী মতে—এই কোঁৱৰজন কোন আছিল ? [উত্তৰ : ৮ পৃষ্ঠাত

বিজ্ঞানৰ মজা

গতিৰ

সলনা সলন

কেনেকৈ কি কৰিব লাগিব ঃ

এখন চকিৰ পিছফালে এডাল ছফুটীয়া তাঁৰ আন এখন চকিৰ পিছফালে বান্ধা আৰু তাৰ পাছত দুফুটকৈ দীঘল আন দুডাল তাঁৰ চিত্ৰত দেখুউৱাৰ দৰে সম দূৰত্বত মজিয়াৰপৰা সমান ওপৰত থকাকৈ পথালিকৈ বান্ধা। সেই দুয়োডাল তাঁৰৰ তলৰ ফালে সমান ওজনৰ শিল বা তেনেজাতীয় কিবা বান্ধি দিয়া। এতিয়া, এডাল তাঁৰত আঙুলিৰে দোলনি দিয়া, আৰু কি হয় তালৈ বিশেষভাৱে লক্ষ্য কৰা।

কি আৰু কিয় হৈছে ঃ

কেই মুহূৰ্তমানৰ পাছত দ্বিতীয় তাঁৰডাল তাৰ গধুৰ ওজনৰে সৈতে নিজে নিজেই দুলি থাকিব। দ্বিতীয়ডাল তাঁৰৰ দোলনিৰ লগে লগে প্ৰথমডাল তাঁৰৰ দোলন বন্ধ হৈ যাব আৰু তাৰ পাছত, এমিনিটনানৰ ভিতৰত দ্বিতীয় ডাল তাঁৰৰ দোলন বন্ধ হৈ পুনৰ প্ৰথমডাল তাঁৰ নিজে নিজেই দুলি থাকিব। এইদৰে, পৰ্য্যয়ক্ৰমে ইডাল তাঁৰৰ দোলন বন্ধ হৈ সিডাল দুলি থাকিব, আৰু এসময়ত দুয়োডাল তাঁৰ স্থিৰ হৈ পৰিব।

পথালিকৈ বন্ধা তাঁৰ দুডালৰ গতিলৈ ভালকৈ লক্ষ্য কৰিলে গতিৰ এই বিচিত্ৰ সলনা-সলনি পৰিলক্ষিত হ'ব যে ইডাল তাঁৰৰ দোলন বন্ধ হ'লেই সিডাল দোলে। এই ঘটনা ঘটাহেতুকে, পথালিকৈ বন্ধা তাঁৰৰ বিপৰীত দিশত দোলন আৰু আৱৰ্ষণৰ প্ৰভাৱতহে গতিৰ এনে সলনা-সলনি তথা 'পৰ্য্যায়ক্ৰমে দোলনি' সম্ভৱ হয়।

এই তাঁৰ দুডাল একেফালে হলাভাৱে দুলিব নোৱৰাহেঁতেন গতিৰ এনে সলনা-সলনি সম্ভৱ নহ'লহেঁতেন। তাঁৰৰ ঠাইত এডাল লাঠী বা তেনেজাতীয় গোটা কিবা বস্তু হ'লে কিন্তু গতিৰ এই আকৰ্ষণ-বিকৰ্ষণ নহ'ব। হ'বনে? এই ঘটনাটো নিজেই পৰীক্ষা কৰি চোৱাচোন?

ৰ'ড্‌ছৰ বিশাল প্ৰতিমূৰ্তি

ৰ'ড্‌ছ-পোতাশ্ৰয়ৰ প্ৰবেশপথত সূৰ্য্য-দেৱতা এপ'ল'ৰ এক বিশাল আৰু সুন্দৰ প্ৰতিমৰ্তি বিদ্যমান। এই প্ৰতিমূৰ্তি তাম আৰু টিন মিহলি কৰা ব্ৰঞ্জেৰে-নিৰ্মিত কৰা হৈছিল। 'চেৰেছ' নামৰ এগৰাকী কল্পনাশক্তিসম্পন্ন গুণী ভাস্কৰে ১২ বছৰ কাল ধৰি সূৰ্য্য-দেৱতাৰ এই অপূৰ্ব প্ৰতিমূৰ্তি সাজি উলিয়াইছিল।

কোৱা হয়, এই বিৰাট-বিশাল প্ৰতিমূৰ্তিৰ ভৰিৰ তলেদি তেতিয়াৰ দিনৰ সামুদ্ৰগামী বিৰাট বাণিজ্য-জাহাজবোৰ অহা-যোৱা কৰিছিল। সূৰ্য্য-দেৱতাৰূপী এই প্ৰতিমূৰ্তিৰ হাতত আছিল এক বিপদ-সূচক আলোক। খৃষ্টপূৰ্ব তৃতীয় শতিকাত হোৱা এক বিৰাট ভূমিকম্পৰ ফলত মূৰ্তিটো খণ্ড-বিখণ্ড হৈ পৰিছিল।



ট্ৰয়ৰ সেই কাঠৰ

খৃষ্টপূৰ্ব ১২ শতিকাত গ্ৰিক আৰু ট্ৰ'জান তথা ট্ৰয়ৰ অধিবাসীসকলৰ মাজত এক সুদীৰ্ঘ যুদ্ধ লাগি পৰিছিল। এই যুদ্ধখন দহ বছৰ জুৰি চলিছিল আৰু তাৰ ফলত ট্ৰয় সম্পূৰ্ণ ধ্বংস হৈছিল।

ঘটনা এইদৰে ঘটিছিল: কিংবদন্তি মতে, তেতিয়াৰ দিনৰ সৱাতোকৈ সুন্দৰী আছিল ট্ৰয়ৰ হেলেন। হেলেনে অন্যতম গ্ৰিক ৰাষ্ট্ৰ স্পাৰ্টাৰ সম্ৰাট মেনেলাছক বিবাহ কৰাইছিল। তাৰ পাছত, ট্ৰয়ৰ ৰাজকোঁৱৰ এজনে হেলেনেক পাৰী নগৰলৈ লৈ গুচি গ'ল। এই ঘটনাত ক্ৰুদ্ধ হৈ সকলো



ঘোঁৰাৰ কাহিনী

গ্ৰিক বীৰ ট্ৰয়ৰ সাগৰ-তীৰ পালেগৈ আৰু ট্ৰয়ৰ ৰাজধানী ইলিয়ঁ আক্ৰমণ কৰিলে। কেতিয়াবা গ্ৰিকসকল বিজয়ী হয়, কেতিয়াবা ট্ৰ'জানসকল। এই যুদ্ধৰ সম্পৰ্কে প্ৰাচীন গ্ৰিছদেশৰ অমৰ কবি হোমাৰে তেওঁৰ ৰচিত অমৰ মহাকাব্য **ইলিয়াডত** ['ইলিয়াড'ৰ অৰ্থ হ'ল ইলিয়ঁ-সম্পৰ্কিত ঘটনা] অতি বিস্তৃতভাৱে লিখি থৈ গৈছে।

অৱশেষত গ্ৰিকসকলে ট্ৰ'জানসকলৰ বিৰুদ্ধে এক বিশেষ কৌশল তথা ধূৰ্ততা অৱলম্বন কৰিলে। গ্ৰিকসকলে এটা প্ৰকাণ্ড কাঠৰ ঘোঁৰা নিৰ্মাণ কৰিলে। এই বিৰাট কাঠৰ ঘোঁৰাটোৰ অভ্যন্তৰত সোমাই লুকাই থাকিল গ্ৰিকসকলৰ কিছুমান বিখ্যাত বীৰ। এই বিশাল কাঠৰ ঘোঁৰাটো গ্ৰিকসকলে ইলিয়ঁ নগৰীৰ প্ৰৱেশদ্বাৰত থৈ দিলে আৰু ঘোঁৰাটোৰ গাত এই কথাখিনি উৎকীৰ্ণ কৰি থ'লে: "গ্ৰিকসকলে তেওঁলোকৰ গৃহাভিমুখী সমুদ্ৰযাত্ৰাৰ নিৰাপত্তাৰ বাবে দেৱী আথেনালৈ এই উপহাৰ প্ৰদান কৰিছে।"

কিন্তু গ্ৰিক যোদ্ধাসকল তেওঁলোকৰ গৃহলৈ নগৈ অলপ দূৰৈত থকা এটা দ্বীপত থাকিলেগৈ। ইপিনে—শত্ৰুৱে পশ্চাদপসৰণ কৰা বুলি ভাবি ট্ৰ'জানসকলে প্ৰকাণ্ড কাঠৰ ঘোঁৰাটো ঠেলি ঠেলি নগৰৰ সোমাজলৈ লৈ গ'ল। ৰাতিৰ পৰতে ট্ৰ'জানসকলে তেওঁলোকৰ বিজয়োৎসৱত মত্ত হ'ল আৰু ঠিক সেই মুহূৰ্তত দ্বীপত থকা গ্ৰিক যোদ্ধাসকলে মাৰমূৰ্তি ধৰি নগৰ পালেগৈ। লগে লগে কাঠৰ ঘোঁৰাটোৰ ভিতৰত লুকাই থকা গ্ৰিক যোদ্ধাসকল ওলাই আহিল আৰু ট্ৰয় সম্পূৰ্ণ ধ্বংস কৰি হেলেনক পুনৰ লৈ গ'ল।

এই যুদ্ধখন প্ৰকৃততেই সংঘটিত হৈছিল বুলি অনুমান কৰা হয়। জাৰ্মান প্ৰত্নতত্ত্ববিদ হেইনৰিখ শ্লিমানে মহাকবি হোমাৰ-বৰ্ণিত অঞ্চলসমূহত অনুসন্ধান কৰি জানিব পাৰিছে যে এসময়ত এই অঞ্চলত অতি উচ্চশ্ৰেণীৰ মানৱসভ্যতা বিদ্যমান আছিল।

ভাৰতৰ
অতীতলৈ জুমি
চাওঁ আহঁা

১, ভাৰতৰ কোন নগৰ দুখনৰ নাম হ্ৰদৰপৰা লোৱা বুলি অনুমান কৰা হয় ?

ক) এই দুখনৰ মাজত কোনখন নগৰ অধিক প্ৰাচীন ?

খ) সেই হ্ৰদ আৰু নগৰ কোনে প্ৰতিষ্ঠা কৰিছিল ?

গ) আন নগৰখন কোনে আৰু কেতিয়া প্ৰতিষ্ঠা কৰিছিল ?

২. কোনোবা এখন ভাৰতীয় ৰাজ্যৰ ৰাজধানীৰ আদি নামৰ অৰ্থ আছিল—'পৱিত্ৰ শাশ্বত নগৰ' ! সেই নগৰখনৰ বৰ্তমান নাম কি ?

ক) সেই আদিনামৰ অন্য ব্যাখ্যাও কৰিব পাৰি। সেই ব্যাখ্যানো কি ?

খ) কিমানবোৰ পাহাৰৰ ওপৰত নগৰখন সজা হৈছিল ?

গ) ১৯৫৭ চনৰ আগতে সেই ৰাজ্যখনৰ নাম কি আছিল ?

৩. এক উপজাতীয় সম্প্ৰদায়ৰ নামৰ অৰ্থ হ'ল 'পৰ্বতৰ মানুহ' আৰু সেই উপজাতীয়সকলৰ নামতে এখন ৰাজ্যৰ নামকৰণ কৰা হৈছে। কোনখন ৰাজ্য ?

৪, ১৭ শতিকাত দিল্লীৰ নাম বেলেগ কিবা আছিল। সেই নাম কি আছিল ?

৫. ১৯৮৯ চনত কোনখন ভাৰতীয় নগৰে ৩৫০ বছৰীয়া উৎসৱ উদ্‌যাপন কৰিব ?

[উত্তৰ: ৮ পৃষ্ঠাত]

সত্য ঘটনা
বৈজ্ঞানিক উদ্ভাৱন আৰু আৱিষ্কাৰৰ পৃথিৱীত

১. আট্‌লাণ্টিছ কি ? কোনে আটলাণ্টিছৰ বিষয়ে কৈছিল ?

২. এল্ ড'ৰাডো ক'ত অৱস্থিত ?

ক) এল্ ড'ৰাডো-ৰ অৰ্থ কি ?

খ) এই নামটি বৰ্তি থকাৰ হেতু কি ?

৩. পলিথিন ক'ত আৰু কেতিয়া উৎপাদিত হৈছিল ?

৪. টেব্‌লটেনিছ খেলা কোনে কেতিয়া আৱিষ্কাৰ কৰিছিল ?

৫. ক'লা জিভা থকা কুকুৰ ক'ৰবাত আছেনে ?

৬. হীৰা এছিডেৰে গলাব পাৰিনে ?

৭. হীৰা এডাখৰক কেনেকৈ বিনষ্ট কৰিব পাৰি ?

৮. পৃথিৱীৰ কিমান অংশ পানীৰ তলত আছে ?

[উত্তৰ : ৮ পৃঃ]



১. ভাৰতৰ তিনিগৰাকী ঐতিহ্যপূৰ্ণ লোকপ্ৰিয় মহান জ্ঞানী ব্যক্তি কোন কোন ?

ক) তেওঁলোক কোন অঞ্চলৰ মানুহ আছিল ?

খ) জনশ্ৰুতিমতে—তেওঁলোকৰ পৃষ্ঠপোষক কোন আছিল ?

গ) এই তিনিগৰাকীৰ মাজত কোন গৰাকী জ্ঞানী ৰজাঘৰৰপৰা আহিছিল ?

২. দক্ষিণ ভাৰতৰ কোনখন গ্ৰন্থক 'পঞ্চমবেদ' বুলি অভিহিত কৰা হয় ?

ক) এই গ্ৰন্থৰ ৰচয়িতা কোন ?

খ) এই গ্ৰন্থ কোন ভাষাত ৰচিত ?

গ) এই গ্ৰন্থৰ গ্ৰন্থকাৰ ক'ত আৰু কেতিয়া বাস কৰিছিল ?

৩. কোন গৰাকী মুনি ৰজা দশৰথৰ জোঁৱায়েক আছিল ?

ক) সেই মুনিজনৰ পত্নীৰ নাম কি আছিল ?

খ) তেওঁৰ বিশেষত্ব কি আছিল ?

৪. নাৰদ মুনিৰ বীণাৰ নাম কি ?

[উত্তৰ : ৮ পৃঃ

ভাৰতৰ সকলো ভাষাত এটা শব্দ

আমি শিকোঁ আহাঁ

অসমীয়া : ৰাতিপুৱা; বাংলা : ছকাল ; ইংৰাজী : মৰ্নিং ; গুজৰাটি : ছবৰ্ ;
হিন্দী ছবেৰা ; কন্নড় : মুন্‌জানে; কাশ্মীৰী : ছুবাহ্ ; উৰ্দু : ছুবহ্ ;
মৰাঠী : ছকাল ; ওড়িয়া : ছকাল' ; পঞ্জাবী : ছৱেৰা ; সংস্কৃত : প্ৰভাত ;
সিন্ধি : ছুবুহ : তামিল : কলাই : তেলুগু : পগলু ; মালায়ালাম্ : ৰৱিলে

বিশ্বাস কৰানে ?

* কেন্সাৰ এক অনাৰোগ্য ব্যাধি ?
* যিকোনো ধৰণৰ বৰফ গলাব পাৰি ?
* ৰামধনুক কেতিয়াও সমগ্ৰ বৃত্তৰূপে মনিব নোৱাৰি ?

নহয়

* কেৱল আমেৰিকাতে ১৫ লক্ষতকৈও অধিক আৰোগ্য হোৱা তথা কেন্সাৰৰ চিহ্ন নথকা কেন্সাৰ-আক্ৰান্ত মানুহ আছে।
* 'শুকান বৰফ' কেতিয়াও নগলে, ভাপ হৈ উৰি যায়।
* মনিব পাৰি, উৰাজাহাজৰপৰা।

উত্তৰ

তেওঁ কোন ?

সম্ৰাট অশোক।

ভাৰতৰ অতীত

১. ভোপাল আৰু অমৃতসৰ। ভোজপাল নামৰ হ্ৰদৰপৰা ভোপাল আৰু অমৃতসৰ নামৰ হ্ৰদৰপৰা অমৃতসৰ নামকৰণ হৈছে।

ক) ভোপাল—২১শতিকাৰ।

খ) ৰজা ভোজ।

গ) চতুৰ্থ শিখগুৰু ৰামদাস।

২. ত্ৰিবান্দ্ৰম। আদি নাম আছিল তিৰু-অনন্তপুৰম্।

ক) পবিত্ৰ সৰ্প অনন্তৰ নগৰী।

খ) সাতটা পাহাৰৰ ওপৰত।

গ) ত্ৰিবাংকুৰ।

৩. মিজোৰাম। মি—মানে মানুহ, জো—মানে পাহাৰ।

৪. শ্বাহজাহানাবাদ। ১৬৪৮ চনত শ্বাহজাহানে এই নাম দিছিল।

৫. মাদ্ৰাজ।

বিজ্ঞান

১. কিংবদন্তি মতে, জিব্ৰাল্টাৰৰ সিপাৰে থকা দ্বীপ। এই দ্বীপটোৰ বিষয়ে প্লেটোৱে লিখি থৈ গৈছে।

২. দক্ষিণ আমেৰিকাৰ সিপাৰে সুখৰ উপত্যকা থকা বুলি জনসাধাৰণৰ বিশ্বাস আছিল।

ক) এই কথাৰ অৰ্থ হ'ল—'উডম্ব মানৱ'।

খ) এল্ ড'ৰাডোৰ ৰজাই সোণৰ গুড়িৰে স্নান কৰিছিল বুলি কোৱা হয়।

৩. ১৯৩৩ চনৰ মাৰ্চ মাহত নৰ-উইচৰ চেশ্বায়াৰত।

৪. ১৮৮৮ বা ৮৯, ইংলেণ্ডৰ জেমচ গিব্। ১৮৮৯ চনত ব্যৱসায়িক প্ৰতিষ্ঠান এখনে টেব্‌ল টেনিছৰ চেট্ নিৰ্মাণ কৰিছিল।

৫. কেৱল চৌ-কুকুৰৰ ক'লা জিভা আছে।

৬. নহয়।

৭. কেৱল প্ৰচণ্ড তাপেৰে

৮. ৭০ পাৰ্চেণ্ট।

সাহিত্য-পুৰাণ

১. তেনালি ৰাম, বীৰবল, আৰু গোপালভাঁড়।

ক) যথাক্ৰমে অন্ধ্ৰ, ৰাজপুতানা আৰু বংগৰ।

খ) কৃষ্ণদেৱ ৰায়, আকবৰ আৰু ৰজা কৃষ্ণচন্দ্ৰ।

গ) বীৰবল। তেওঁ আছিল এগৰাকী ৰাজপুত চৰ্দাৰ। আকবৰে তেওঁক ৰজা উপাধিৰে ভূষিত কৰিছিল।

২. থিৰুক্কুৰাল।

ক) থিৰুভাল্লুভৰ।

খ) তামিল।

গ) মায়লাপুৰত (এতিয়াৰ মাদ্ৰাজৰ অংশ), প্ৰায় দুহেজাৰ বছৰৰ আগতে।

৩. ঋষ্যশৃংগ।

ক) ৰাজকুঁৱৰী শান্তা।

খ) তেওঁ বৰষুণক আহ্বান কৰি নমাই আনিব পাৰিছিল।

৪. কচ্ছপী।



কাব্য-কথা

মণি-মঞ্জৰী-৩

[আগৰ দুই সংখ্যাত কোৱা হৈছে] : পুম্পুহৰ নগৰৰ ব্যৱসায়ী-ৰাজপুত্ৰ কোভালানে কন্নকিক বিবাহ কৰোৱা সত্ত্বেও মাধৱীৰ প্ৰতি আকৃষ্ট হৈ কন্নকিক ত্যাগ কৰিছিল। কন্নকিয়ে এক পৰিত্যক্ত দুঃখপ্ৰদ জীৱন যাপন কৰি আছিল।

এবাৰ পুম্পুহৰ নগৰত উৎসৱ পাতা হৈছিল। কোভালান আৰু মাধৱীয়েও সেই উৎসৱ তথা বিচিত্ৰ বৰ্ণাঢ্য সমদল ঘৰৰেপৰা তালৈকে প্ৰত্যক্ষ কৰিলে।





কোভালানে তাৰ সৰু ঘোঁৰাটোৰ পিঠিত উঠিল আৰু মাধৱী উঠিলগৈ বলদে টনা গাড়ীত। লগত ঢেৰ লগুৱা-লিগিৰীও গৈ থাকিল। কোভালান-মাধৱীয়ে ৰজা-ৰাজপুত্ৰ আৰু উচ্চপদস্থ লোকসকলৰ মাজেদি গৈ থাকিল।



কোভালানে সাগৰতীৰৰ নিৰল-নিৰ্জন ঠাই এটুকুৰাত তম্বু তৰিবলৈ লগুৱাইতক নিদেশ দিলে। তম্বু তৰাৰ পাছত সিঁহতে কোভালান আৰু মাধৱীৰ বাবে সুকোমল শয্যা পাৰি দিলে। আৰু তাৰ পাছত মাধৱীয়ে গান গাবলৈ ধৰিলে।

কিন্তু মাধৱীৰ সেই গানৰ অৰ্থ কোভালানৰ কেনেবা যেন লাগিল। কোভালানে ভাবিলে ঃ মাধৱীয়ে এই গান গাই নিশ্চয় তাইৰ আন কোনোবা প্ৰেমিকক সুঁৱৰিছে। আৰু এই কথা ভবাৰ লগে লগেই সংগীতমগ্না মাধৱীক এৰি কোভালান মনে মনে ওলাই গ'ল।





অলপ সময়ৰ পাছত কথাটো মাধৱীয়ে গম পালে। মাধৱী নিজৰ ঘৰলৈ উভতি গ'ল আৰু কান্দি থাকিল। মাধৱীয়ে এখন পত্ৰ লিখি তাইৰ বিশ্বাসী লিগিৰী-জনীক কোভালানৰ ওচৰলৈ পঠালে।

কোভালান যেতিয়া নিজগৃহ প্ৰায় পাওঁ পাওঁ হ'ল, তেতিয়া মাধৱীৰ লিগিৰী-জনীয়ে সেই পত্ৰ আৰু মালা এধাৰ কোভালানক দিবলৈ গ'ল। কিন্তু কোভালানে সেইবোৰ প্ৰত্যাখ্যান কৰিলে। তিমানতে সেইজনী কন্নকিয়ে কোভালানৰ হৃদয়ত পুনৰ ঢৌ তুলিছিল।

কোভালানে যেতিয়া ঘৰ পালেগৈ, তেতিয়া শেঁতা পৰা কন্নকিয়ে বিষাদৰ হাঁহিৰে স্বামীক অভ্যৰ্থনা কৰিলে। কোভালানে নিজৰ ঘৰ নিজেই ভঙাৰ কথা অনুভৱ কৰি কৃতকৰ্মৰ বাবে কন্নকিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলে

কোভালানৰ আৰু পুম্পুহৰ নগৰত মন নবহা হ'ল। আন ক'ৰবালৈ গৈ—নতুন জীৱনৰ পাতনি তৰিবলৈ কোভালানে মন মেলিলে। কিন্তু কিহেৰেনো ব্যৱসায় কৰিব ? ধন যে নাই ! তেতিয়া কন্নকিয়ে তেওঁৰ মূল্যৱান ভৰিত পিন্ধা অলংকাৰবোৰ কোভালানক দেখুৱালে।

কোভালানে আনন্দিত মনেৰে কন্নকিক ক'লে, "ব'লা, ৰাতি পুউৱাৰ আগে আগেই আমি সেই সুপ্ৰাচীন মাদুৰাই নগৰলৈ যাওঁ। এই অলংকাৰযোৰেই হওক মোৰ নৱ-জীৱনৰ পৰম সমল। মই আৰু কেতিয়াও ভুল নকৰোঁ।"
তেতিয়া ৰোৱাৰী-পুৱা। কন্নকিয়ে ঘৰটো তলাবন্ধ কৰিলে আৰু তাৰ পাছত নতুন জীৱনলৈ খোজ ল'লে সিহঁতৰ সাগৰবিধৌত, নৈপৰীয়া ইমানদিনীয়া মৰমৰ গৃহ এৰি অন্য ঠাইলৈ...।
RAZI
মাদুৰাই তেতিয়াও বহু দূৰৰ বাট। ৰাতিৰ পৰতে কোনোবা মন্দিৰৰ প্ৰাংগণত, নাইবা কোনোবা খাজি-ৰোৱাত কটাই, দিনৰ ভাগত সিহঁত জুয়ো গৈ থাকিল...গৈয়েই থাকিল। নৱ-জীৱনৰ আশা বুকুত বান্ধি লৈ বাট কুৰি বাই গৈয়েই থাকিল ..। [আগলৈ

জীৱনৰ অন্য নাম

বেণু সোণাৰি আছিল গংগাপুৰৰ জমিদাৰৰ নিজা সোণাৰি। জমিদাৰে বেণু সোণাৰিক থকা-মেলাৰ বাবে ঘৰ দিছিল আৰু খেতি-বাতিৰ বাবে হালিচাদিয়েক মাটিও দিছিল।

বেণু সোণাৰিৰ ল'ৰাটোৰ নাম গেনু। গেনু আছিল বৰ এলেহুৱা বিধৰ ল'ৰা। কিবা এটা কাম কৰিবলৈ ক'লেই সি কন্দনামুৱাহেন হৈছিল। বেণু সোণাৰিয়ে তাৰ ল'ৰাটোক ভাল সোণাৰি হিচাপে গঢ়ি তোলাৰ কথা ভাবিছিল। কিন্তু ভাবিলে কি হ'ব—গেনু কোনো কামত হাত দিয়াত নাই।

তাৰ পাছত বেণু সোণাৰি এদিন ঢুকাল। তেতিয়া গেনু প্ৰায় পোন্ধৰ বছৰীয়াটো। জমিদাৰে তাক কামৰ দায়িত্ব দিবলৈ ধৰোঁতে সি পলাই সাৰিলে।

গেনুৰ বাঁৰী মাকে গেনুক ক'লে, "বোপা, জমিদাৰ কাম হ'ল ঈশ্বৰ-ভগৱন্তৰ আশীৰ্বাদৰ দৰে। জমিদাৰৰ কাম নকৰিলে জগৰ লাগিব—পাপে ছুব।"

"মই তো সেইবোৰ কাম কৰিব নাজানো। সেই কাম ল'লে বদনামহে হ'ব।" গেনুৱে গেৰেউ-গেথেউকৈ ক'লে।

"তই নকৰিলেও হ'ব দেখোন। আনৰ দ্বাৰা কৰোৱাবি। জমিদাৰে পইচা-পাতি যিখিনি দিব—কিছুখিনি নিজাকৈ ৰাখি বাদবাকীখিনি কাম কৰাইঁতক দিবি।"

মাকৰ কথাত গেনুৱে জমিদাৰৰপৰা কাম খুজি ল'লেগৈ। কেনেকুৱা গহনা তৈয়াৰ কৰিব লাগিব—জমিদাৰে বেণুৰ ল'ৰা গেনুক বুজাই ক'লে আৰু সোণ কিমানখিনি লাগিব বুলি তাক সুধিলে।

প্ৰকাশ পাটোৱাৰী



তাৰ পাছত গেন্নু তাৰ দেউতাকৰ বন্ধু এগৰাকীৰ কাষ চাপিল আৰু সকলো কথা কোৱাৰ অন্তত তেওঁৰপৰা দিহা-পৰামৰ্শ বিচাৰিলে। গেন্নুৰ দেউতাকৰ বন্ধুসকলে গেন্নুৰ এনে পৰিৱৰ্তনত ভালে পালে।

জমিদাৰে গেন্নুৱে কোৱামতে সোণ আৰু মূল্যৱান মণি ইত্যাদি দিলে, কিন্তু তাৰ দেউতাকক সদায় দিয়াৰ দৰে আগধন নিদিলে।

গেন্নুৱে নিজে কাম নকৰে, আনৰ-দ্বাৰাইহে কৰোৱায়। গতিকে—কামখিনি কৰাত যথেষ্ট দেৰী হ'ল আৰু তাৰ ফলত পাৰিশ্ৰমিকো বেছিকৈ ভৰিবলগীয়া হ'ল।

কথা মাথোন সিমানেই নহয়। জমিদাৰে দিয়া সোণ—গহনা তৈয়াৰীৰ পাছত কমি যোৱাত গেন্নুৱে সোণও কিনিবলগীয়া হৈছিল। তাৰ ফলত তাৰ নিজৰ জেপৰ ধন খৰচ হৈছিল সৰ্বমুঠ প্ৰায় এহেজাৰ টকা।

কিন্তু জমিদাৰৰপৰা গহনাৰ মজুৰি হিচাপে গেন্নুৱে পালে মাত্ৰ এশ টকা। জমিদাৰে গেন্নুক ক'লে, "হেৰা, তোমাৰ দেউতাৰাই এইটি কাম কৰাহেঁতেন বৰ বেছি—পঞ্চাছ টকাহে পালেহেঁতেন। কিন্তু তুমি সৰু ল'ৰা হৈও কামটো কৰিলা বুলি ভাল পাই তোমাক মই বেছিকৈ দিলোঁ। তোমাক মই আন কেইপদমান গহনাও বনাবলৈ দিম বাৰু। মোক কিন্তু পাঁচদিনৰ ভিতৰত কামটো কৰি দিব লাগিব।"

গেন্নুৱে একো ক'বলৈ নৌ পাওঁতেই জমিদাৰে তাক সোণ আৰু মণি-মুকুতাখিনি দিলে আৰু ক'লে, "লোৱা, বস্তুখিনি মোক ঠিক ঠিককৈ দিবা কিন্তু।"

পাঁচদিনৰ দিনা গহনাখিনি জমিদাৰক গেন্নুৱে দিলেহি। জমিদাৰে তাক গহনাৰ মজুৰিৰ বাবদে মাত্ৰ দুশ টকা দিলে। কিন্তু গেন্নুৱে গহনাখিনি বনাওঁতে প্ৰায় ছশমান টকা ভৰিবলগীয়া হৈছিল।

জমিদাৰে গেনুক আন কেইপদমান গহনা গঢ়াবলৈকো দিলে। গেনু ঘৰলৈ উভতি গ'ল আৰু তাৰ মাকক সকলো কথা কৈ থাকোঁতে তাৰ চকুপানী ওলাল।

মাকে তাক সান্ত্বনা দি ক'লে, "চা, বোপা, তই তোৰ দেউতাৰৰপৰা কামখিনি শিকি লোৱাহেঁতেন কিন্তু এনে বিপাকত নপৰিলিহেঁতেন। যি কি নহওক—হ'বলগা হৈ গ'ল, গ'ল-ব'ল কথা গ'ল। এতিয়াৰপৰা— কাম জনাইতৰ ওচৰত মূৰ দোঁৱাই কাম শিকি ল'। নিজৰ হাতেৰে কাম কৰিলেহে কটৰাৰপৰা গল উলিয়াই আনিব পাৰিবি। তেতিয়াহে তই বুজি পাবি— ধানৰ পেটত কিমান চাউল থাকে।"

মাকৰ কথাখিনি শুনি গেনুৱে ভালেই পালে। গেনুৱে কথাখিনিৰ তাৎপৰ্য্য উপলব্ধি কৰিলে আৰু তাৰ মাজত পৰিৱৰ্তনৰ লক্ষণ ফুটি উঠিল। সি দৃঢ়-প্ৰতিজ্ঞ হৈ, সোণাৰিৰ কাম শিকিবলৈ অহোপুৰুষাৰ্থ কৰি থাকিল।

আৰু তাৰ কিছুদিনৰ অন্তত, জমিদাৰে গঢ়িবলৈ দিয়া গহনাখিনি গেনুৱে নিজেই গঢ়িবলৈ ধৰিলে। কঠোৰ শ্ৰম আৰু আন্তৰিকতাৰ স্পৰ্শৰে তাৰ অক্ষমতা আঁতৰি গৈ থাকিল। সি দিনে-নিশাই কামৰ মাজত ডুবি থাকিল।

তাৰ এই প্ৰচেষ্টালৈ লক্ষ্য কৰি মাকেও বৰ ভাল পালে। সি যাতে এদিন ভালকৈ



ভাল স্বৰ্ণ-শিল্পী হয়, তাৰ বাবে মাকে মনে-চিতে তাক আশীৰ্বাদ কৰিলে।

নিজ হাতে তৈয়াৰী গহনাকেইপদ লৈ গেনুু জমিদাৰৰ কাষ চাপিল। এইখিনি গহনা চাই জমিদাৰে অত্যন্ত ভাল পালে আৰু গেনুৰ সুন্দৰ কামৰ শলাগ ল'লে। তাৰ পাচত জমিদাৰে গেনুৰ হাতত গহনা তৈয়াৰৰ বাবদে বিছটা টকা তাৰ হাতত দিলে।

হঠাৎ গেনুৰ খঙে তাৰ মূৰৰ চুলি পালেগৈ। সি জমিদাৰক ক'লে, "ডাঙৰীয়া, কোন কামৰ কিমান মোল — আপুনি দেখিছোঁ একোৰেই নাজানে। আৰু— নাজানে বুলিহে আপুনি আপোনাৰ ইচ্ছা-মতে যা-তা পাৰিশ্ৰমিক দিয়ে।"

গেনুৰ কথা শুনি জমিদাৰে হো হোৱাই হাঁহি উঠি ক'লে, "তেনেহ'লে— এই গহনাখিনি বাৰু তুমিয়েই — তুমি নিজেই—নিজ হাতেৰে গঢ়িলানে কি?"

অবাক হৈ পৰা গেনুৱে জমিদাৰৰ মুখলৈ চাই থাকিল। জমিদাৰে মিচিকীয়াই হাঁহি গেনুক ক'লে, "ইমান দিন মই দিয়াখিনিকে তুমি বিনা প্ৰতিবাদে হাত পাতি লৈছিলা, কোন কামত কিমান পৰিশ্ৰম হয়, তোমাৰ কোনো ধাৰণা নাছিল। এতিয়াহে তুমি বুজি পাইছা যে—ধানৰ পেটত চাউল থাকে, পতানৰ পেটত একো নাথাকে। ময়ো ইয়াকে বাঞ্ছা কৰিছিলোঁ, তোমাৰ দেউতাৰায়ো মোক ইয়াকে কৈ গৈছিল। তুমি অকামিলাটো হৈ, ঠম্ঠম্ মদনগোপালটো হৈ থকাটো আমি কোনেও বিচৰা নাছিলোঁ। এতিয়া যে নিজে নিজেই কাম কৰিবলৈ শিকিলা, তাৰে—মোৰ কথা বাদেই দিয়া—তোমাৰ স্বৰ্গী দেউতাৰাৰ আত্মায়ো পৰিতুষ্ট হ'ব। কামেই হ'ল জীৱনৰ অন্য নাম।" এই বুলি কৈ, জমিদাৰ ডাঙৰীয়াই গেনুক এহেজাৰ মুদ্ৰা পুৰস্কাৰ হিচাপে দিলে।

কৃষ্ণাৱতাৰ

১৫

কৃষ্ণ-বলৰাম বসুদেৱৰ ঘৰলৈ গ'ল। বসুদেৱে কৃষ্ণ বলৰামক আঁকোৱালি ল'লে। যুদ্ধৰ বৃত্তান্ত আৰু অন্যান্য সকলো ধণৰৰ খা-খবৰ ল'লে। ক'বলগাখিনি বলৰামে বসুদেৱক ক'লে।

এদিন বলৰামে হেনো কালিন্দী নৈক কৈছিল, "কালিন্দী, মোক গা ধোৱাই দিয়া।" কালিন্দীয়ে বলৰামৰ কথালৈ বৰ মন কৰা নাছিল। তেতিয়া ক্ৰুদ্ধ বলৰামে তেওঁৰ নাঙলেৰে কালিন্দী নৈৰ বুকু ফালি কালিন্দীক চোঁচৰাই লৈ গৈছিল আৰু তাৰেই সৃষ্টি হৈছিল বৃন্দাৱনৰ এই খাল। এই খালৰ পানীৰে বৃন্দাৱনৰ ৰাখোৱাল-হঁতৰ অশেষ উপকাৰ সাধিত হৈছিল।

কিছুদিনৰ অন্তত এদিন ৰাখোৱালহঁতৰ এক সন্মিলনত কৃষ্ণই ৰাখোৱালসৱক ক'লেঃ

"আমাৰ মথুৰাৰ তুল্য ঠাই পৃথিৱীৰ আন ক'তো বিচাৰি পাবলৈ নাই। কিন্তু সম্প্ৰতি ইয়াত শত্ৰুৰ ভীতি ক্ৰমাত বৃদ্ধি পাইছে। অত্যাচাৰী ৰজা জৰাসন্ধক আমাৰ বিৰুদ্ধে সহায় কৰিবলৈ অ'ৰ ত'ৰ অসংখ্য ৰজাই আগ বাঢ়ি অহালৈ আপোনালোকে নিশ্চয় মন নকৰাকৈ থকা নাই। এনে অৱস্থাত—শত্ৰু-পৰিবৃত অৱস্থাত থকাতকৈ, আমি দলে-বলে পা-পৰিয়ালে আন কোনোবা ঠাইলৈ গুচি যোৱাটোৱেই কিজানি ভাল হ'ব।"

কৃষ্ণৰ কথাখিনি শুনি ৰাখোৱালহঁতে



বেয়া নাপালে। কৃষ্ণৰ এই কথাৰপৰা এটা কথা ওলাই পৰিল যে—জৰাসন্ধক পৰাজিত কৰা সম্ভৱ নহয়। এতেকে—এই ঠাই যিমান সোনকালে সম্ভৱ—পৰিত্যাগ কৰি যোৱাটোই ভাল।

কৃষ্ণৰ কথামতে মথুৰা এৰি আন ক'ৰবালৈ গুচি যাবলৈ ৰাখোৱাল-গুৱাল সকলোটি সাজু হ'ল।

আৰু ঠিক এনেতে কালয়বনুৰ নেতৃত্বত অসংখ্য সৈন্য বিপুল অস্ত্ৰ-শস্ত্ৰৰে সৈতে ধুমুহা অহাদি মথুৰালৈ আহিল।

তেতিয়া কৃষ্ণই ঘোষণা কৰিলে : এই কালয়ৱৰ পিছে পিছেই জৰাসন্ধ আহিব ধৰিছে। আমি ইয়াত আৰু বৈ নাথাকোঁ। অকাৰণ লোকক্ষয় অপ্ৰয়োজনীয় কথা। আমি আমাৰ পা-পৰিয়াল, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু ঘৰচীয়া সকলো প্ৰাণীৰে সৈতে এতিয়াই এই ঠাই পৰিত্যাগ কৰি অন্য কোনো নিৰাপদ তথা সুৰক্ষিত ঠাইলৈ গুচি যাম।"

বসুদেৱ, উগ্ৰসেন, বলৰাম, কৃষ্ণৰে সৈতে অসংখ্য বীৰ আৰু লগতে অসংখ্য হস্তী, অশ্ব, ৰথ, গোধন আদি পশ্চিমৰ ফালে গৈ থাকিল। পশ্চিম সমুদ্ৰতীৰৰ পাৰে পাৰে গৈ থাকোঁতে তেওঁলোকে দূৰৰেপৰাই দ্ৰোণাচাৰ্যক দেখা পাই ভক্তিযুক্ত মনেৰে প্ৰণাম কৰিলে। তাৰ পাছত, সকলো কথা কৈ, তেওঁৰপৰা পৰামৰ্শ খুজিলে বসবাসৰ বাবে যোগ্য ঠাই বিচাৰি।

পৰিশেষত, দ্ৰোণাচাৰ্যৰ পৰামৰ্শমতে বিস্তৃত চৰণীয়া পথাৰ আৰু বিশেষকৈ অফুৰন্ত কৃষিভূমি থকা ঠাই এডোখৰত মথুৰাৰপৰা অহা ৰাখোৱাল-গুৱালহঁতে নগৰ নিৰ্মাণ কৰিবলৈ ধৰিলে।

আৰু এই নৱ-নিৰ্মিত সুদৃশ্য নগৰখনৰ নাম হ'ল 'দ্বাৰৱতী'।

বিৰাট বিৰাট যুদ্ধত বিজয়ী হোৱা কৃষ্ণ কিয় কালয়বনুৰ ভয়তে মথুৰা এৰি দ্বাৰৱতীলৈ আহিল, তাৰ অন্তৰালত এটি

ক্ষুদ্র অথচ অতি উল্লেখযোগ্য গুরুত্বপূর্ণ কাহিনী বিদ্যমান।

এসময়ত ব্ৰহ্মচৰ্য্য, বৃষ্ণি আৰু অন্ধকক-হঁতৰ গুৰু আছিল গৰ্গ। গৰ্গ ই আজীৱন ব্ৰহ্মচৰ্য্য পালন কৰিছিল। এজনে এদিন গৰ্গক উপহাস কৰি কৈছিল যে দেখাত পুৰুষ যেন লাগিলেও গৰ্গ আচলতে নাৰী। এই অতিশয় অমাৰ্জিত তথা অশোভন কথাৰ প্ৰতিবাদ তাত উপস্থিত থকা কোনেও নকৰিলে, কোনেও আনকি অনুতাপো প্ৰকাশ নকৰিলে।

এই অপমানৰ দহন সহিব নোৱাৰি গৰ্গ অৰণ্যলৈ গুচি গ'ল আৰু বাৰ বছৰ-কাল ধৰি মাত্ৰ লৌহচূৰ্ণ ভক্ষণ কৰি শিৱৰ আৰাধনা কৰা হ'ল। আৰাধনাৰে শিৱক তুষ্ট কৰি বৃষ্ণি আৰু অন্ধককহঁতলৈ সন্তান প্ৰেৰণ কৰিব পৰা শক্তি তেওঁক লাগে। এই বাতৰি পাই, সন্তানহীন জবলেশ্বৰে গৰ্গক অসংখ্য ধেনুৰ মাজত বাসস্থানৰ ব্যৱস্থা কৰি দিলে।

তাত, সেই ধেনুৰ বাসস্থানত এগৰাকী অপ্সৰীয়ে গোপীকাৰ ৰূপ ধৰি গৰ্গৰ সৈতে থাকিবলৈ ল'লে।

তাৰ পাছত সেই গোপিকা এদিন যথানিয়মতে সন্তান-সম্ভৱা হ'ল। গৰ্গৰ এই সন্তানেই হ'ল সেই কালয়বন্ন।

কালয়বন্ন ডাঙৰ হৈ এদিন যথেষ্ট শক্তিমান হৈ উঠিল।

এবাৰ নাৰদে কালয়বন্নক ক'লে, "জগতৰ য'ত যি যিমান শক্তিমানেই নহওক, যাদৱহঁতৰ—অৰ্থাৎ ৰাখোৱালহঁতৰ দৰে বীৰ পৃথিৱীৰ ক'তো আজি আৰু বিচাৰি পাবলৈ নাই।"

নাৰদৰ এই কথা শুনি কালয়বন্নৰে কলিজাত ধৰা যেন পালে। লগে লগে কালয়ে হিমালয় অঞ্চলৰ মানুহক লৈ এক বিৰাট সৈন্যবাহিনী গঠন কৰিলে। লগতে হস্তী, অশ্ব, গাধ ইত্যাদিকো যুদ্ধৰ বাবে যথাযোগ্যভাৱে প্ৰশিক্ষিত কৰিলে।



যেতিয়া সকলোৰে সকলোধৰণৰ প্ৰশিক্ষণ শেষ হ'ল, তেতিয়া কালয় কালৰূপে থিয় হ'ল। আৰু তাৰ পাছত এদিন কালয়ে মথুৰা আক্ৰমণ কৰিবলৈ যো-জা কৰি থাকিল।

আৰু এইবোৰ দেখি আৰু শুনি লগে লগে নাৰদ কৃষ্ণৰ কাষ চাপিলগৈ।

নাৰদৰ কাম নাৰদালি। চোৰক চুৰ কৰিবলৈ ক'ব, গৃহস্থক ক'ব সাৰে থাকিবলৈ। কৃষ্ণই মথুৰাখনকে সজাই-পৰাই তোলাৰ পৰিকল্পনা কৰি থাকোঁতেই হঠাৎ নাৰদ নামিল আৰু কৃষ্ণই তেতিয়াই কালয়বসুৰ সৈতে যুদ্ধ কৰি অযথা শক্তিক্ষয় লোকক্ষয় ধনক্ষয় নকৰিবলৈ দ্ৰুত সিদ্ধান্ত গ্ৰহণ কৰিলে।

কৃষ্ণই আন এটি কামো কৰিলে। এটা চৰুৰ ভিতৰত কালসৰ্প এটা ভৰাই থৈ দূতৰ যোগেদি সেই চৰুটো কালয়-বসুলৈ পঠালে আৰু দূতে কৃষ্ণই ক'বলৈ কৈ দিয়া কথাখিনি কালয়বসুক ক'লে, "এই চৰুটোৰ ভিতৰত থকা এই ভয়াবহ কালসৰ্পৰ যি ক্ষমতা আছে, ৰাখোৱাল কৃষ্ণৰো সেই ক্ষমতা আছে।"

এই কথা শুনি কালয়বসুৱে কালসৰ্প থকা চৰুটোৰ ভিতৰত কিছুমান টোকা-পৰুৱা এৰি দিলে। চৰুটো ভালকৈ ঢাকি কৃষ্ণৰ দূতক কালয়ে ক'লে, "এই চৰুটো তুমি ওভোতাই লৈ যোৱা। কৃষ্ণক ক'বাগৈ যে — তেওঁ বহুজনৰ মাজত থাকিও এই সৰ্পৰ দৰে খীণাই-শুকাই যাব, তেওঁৰ শক্তি অযথা ক্ষয় হ'ব।"

দূতৰ মাধ্যমে এই বতৰা পাই কৃষ্ণই কালয়ৰ কথাৰ অন্তৰ্নিহিত তাৎপৰ্য্য ঠাৱৰ কৰি ল'লে। আৰু তাৰ পাছত যাদৱ তথা ৰাখোৱালইঁতক লৈ সদলবলে এদিন মথুৰা এৰিলে।

গৈ গৈ অলপ পাছত কৃষ্ণ সদলবলে কালয়ৰ ৰাজ্য পালেগৈ।

আৰু চাওঁতে চাওঁতে স্বয়ং কালয়



কৃষ্ণৰ সমুখত উপস্থিত হ'ল।

কৃষ্ণই কালয়ে নেদেখাকৈ চকুৰ পচাৰতে এটা গুহাৰ ভিতৰলৈ সোমাই পৰিল।

সেই গুহাৰ ভিতৰত মুচকুন্দ নামৰ কোনোবা এজন টোপনিয়াই আছিল। মুচকুন্দ আছিল মান্ধাতাৰ পুত্ৰ। দেৱাসুৰৰ যুদ্ধত মুচকুন্দই অংশগ্ৰহণ কৰিছিল। আৰু একেৰাহে বহুকাল ধৰি যুদ্ধ কৰাৰ অন্তত গুহাৰ ভিতৰত নিদ্ৰিত হৈ পৰিছিল। নিদ্ৰিত হোৱাৰ আগে আগে মুচকুন্দই এটা বিশেষ বৰ লাভ কৰিছিল যে—সাৰ পাই উঠি তেওঁ প্ৰথমে যাক দেখা পাব সেইজনৰ মৃত্যু হ'ব।

মুচকুন্দই এনে এটা বৰ লাভ কৰাৰ কথা কৃষ্ণই জানিছিল। সেইদেখি, কৃষ্ণ মুচকুন্দৰ চকুৰ আগত থিয় নহৈ শিতানৰ পিছফালে থিয় দিলেগৈ।

ইপিনে—কৃষ্ণ গুহাৰ ভিতলৈ সোমোৱাৰ লগে লগে কালয়বনুও সোমালগৈ। দূৰৰে-পৰা কালয়ক দেখা পায়েই কৃষ্ণ অলপ আঁতৰত আঁৰত কালয়ে নেদেখাকৈ থিয় হৈ থাকিল। নিদ্ৰিত মুচকুন্দকে কৃষ্ণ বুলি ভাবি, নিদ্ৰিত মুচকুন্দৰ ভৰিত ঠেলা মাৰি কালয়ে ক'লে, "এইদৰে তুমি মৃত্যুক ফাঁকি দিবা বুলি ভাবিছানে কি যধামূৰ্খ? উঠি বহা, উঠাচোন চাওঁ — তোমাৰ তাগজ কিমান আজি মই চাই লওঁ!"

অকালতে নিদ্ৰাভংগ হোৱাত মুচকুন্দ অতিপাত ক্ৰুদ্ধ হ'ল। ক্ৰুদ্ধ দৃষ্টিৰে মুচকুন্দক কালয়লৈ চোৱা হ'ল আৰু চকুৰ পচাৰতে বৰৰ যহত্তে বলী কালয় জুইৰে পুৰি ভস্ম হৈ গ'ল।

তাৰ পাছত, আঁৰৰপৰা ওলাই আহি কৃষ্ণই মুচকুন্দক ক'লে, "আপুনি ইয়াত থকাৰ কথা নাৰদমুনিৰ মাধ্যমে জানিব পাৰিলোঁ। মোৰ পক্ষে অতি কঠিন কামটি আপুনিয়েই দয়া কৰি হেলাৰঙে কৰি দিলে। নমস্কাৰ। আহোঁহে মই।"

মুচকুন্দই কৃষ্ণক সবিনয়ে ক'লে, "তুমি



বয়সত তৰুণ; কিন্তু মই—মই তোমাক চিনি নাপালোঁ। মোক টোপনিৰপৰা জগালে কোনে? মই যে কিমান দিনৰপৰা টোপনিয়াইছোঁ মই একোৰেই নাজানো। তুমি জানা যদি মোক কোৱা।"

কৃষ্ণই ক'লে, "নহুষ হ'ল চন্দ্ৰৰ সমতুল। যযাতি হ'ল তেওঁৰ পুত্ৰ। যযাতিৰ পাঁচজন পুত্ৰ আছে। এই পাঁচজনৰ মাজত ডাঙৰজনৰ নাম যদু। মই হ'লোঁ সেই যদু বংশৰ বসুদেৱৰ পুত্ৰ। মোৰ পিতৃৰ নাম বসুদেৱ, মাতৃ দৈৱকী। মোৰ বিমাতৃৰ নাম ৰোহিণী। তেওঁৰ গৰ্ভজাত সন্তানৰ নাম হ'ল বলৰাম। বলৰাম মোতকৈ জ্যেষ্ঠ। আপুনি আপোনাৰ অগ্নিদৃষ্টিৰে ভস্ম কৰা-জনৰ নাম কালয়বন। তেওঁ মোৰ আজন্ম শত্ৰু। আপুনি হেনো ত্ৰেতা যুগত জন্ম-গ্ৰহণ কৰিছিল। আপুনি কিমানদিন ধৰি যে নিদ্ৰিত—তাৰ উত্তৰত কওঁ—এতিয়া কলিযুগৰ আৰম্ভণী হওঁ হওঁ।"

মুচকুন্দ গুহাৰপৰা ওলাই আহিল। তেওঁ পুনৰ দেশ শাসন কৰিব বুলি স্থিৰ কৰিলে। কিন্তু পৃথিৱীৰ বুকুত মানুহৰ ক্ষীণ পৰমায়ু, বুদ্ধি আৰু পৰাক্ৰম দেখি—হতাশা বোধ কৰি—মুচকুন্দৰ আৰু শাসন কৰাৰ মন নগ'ল। তেওঁ পুনৰ নৃপতিৰ ভাও নিদিয়াটোকে স্থিৰ কৰি হিমালয়লৈ বুলি আগ বাঢ়ি গৈ থাকিল জীৱনৰ বাকী কালছোৱা তপস্যা কৰি কটাব বুলি। আগ বাঢ়ি গৈ থাকোঁতে মুচকুন্দই এবাৰলৈকো পিছলৈকো ঘূৰিও নাচালে।

কালয়বনৰ মৃত্যুৰ অন্তত কৃষ্ণই কালয়বনৰ বীৰ সৈন্যইঁতকো সম্পূৰ্ণ বশ কৰি পেলালে। যিবিলাকে তথাপি বিৰোধিতা কৰিছিল, সেইবিলাকক বাধ্যত পৰি বধ কৰিলে কৃষ্ণই।

আৰু তাৰ পাছত — নৰ-নিৰ্মিত দ্বাৰৱতী নগৰখনক সজাব-পৰাবলৈ কৃষ্ণই মন মেলিলে।

দ্বাৰৱতী নগৰখন ধুনীয়াতকৈয়ো


Sankar

ধুনীয়াকৈ নিৰ্মাণ কৰাৰ বাবে কৃষ্ণই বিশ্বকৰ্মাৰপৰা সহায় প্ৰাৰ্থনাৰ কথা ভাবি মনতে বিশ্বকৰ্মাক সুঁৱৰিলে। বিশ্বকৰ্মা তৎক্ষণাৎ কৃষ্ণৰ সমুখলৈ আহিল আৰু সুধিলে, "হে কৃষ্ণ! মোৰ ওচৰত তোমাৰ কি প্ৰয়োজন শীঘ্ৰে কোৱা।"

"স্বৰ্গস্থ ইন্দ্ৰৰ নগৰ যেনেকৈ নিৰ্মিত হৈছে, এই দ্বাৰৱতী নগৰখনো তেনেকৈ নিৰ্মিত হ'ব লাগে।" কৃষ্ণই ক'লে।

"নগৰখনত যদি এই বিপুল সংখ্যক মানুহক ঠাই দিব লাগে, নগৰখন এতিয়াতকৈ বহুগুণে ডাঙৰ কৰিব লাগিব। সাগৰক পিছুৱাই লৈ যাব লাগিব। সাগৰ পিছুৱাই গ'লে দ্বাৰৱতী নামৰ এই নগৰখন আকাৰত বৃহৎ হ'ব, আৰু তেতিয়াহে এই সুন্দৰ-সুৰম্য নগৰখন সকলোটিৰ বাবে বাসযোগ্য হৈ উঠিব।' বিশ্বকৰ্মাই কৃষ্ণক এই কথাবোৰ বুজাই ক'লে।

তাৰ পাছত কৃষ্ণই সুঁৱৰিলে সমুদ্ৰক। কৃষ্ণৰ অনুৰোধ ৰক্ষা কৰি সমুদ্ৰ বাৰ যোজনমান আঁতৰি গ'ল। আৰু তাৰ ফলত নগৰখনক বৃদ্ধি কৰিবলৈ যথেষ্ট মাটি দ্বাৰৱতী ওলাল।

তেতিয়া এক বিৰাট অঞ্চল জোৰা বিশাল নগৰ নিৰ্মিত হ'ল। অতি ধুনীয়া ধুনীয়া বাট-পথ নিৰ্মিত হ'ল।

বিশ্বকৰ্মাৰ আঁচনি অনুসাৰে সোণৰ ৰাজ-প্ৰাসাদ নিৰ্মিত হ'ল। এক অতি অভিনৱ তথা অপৰূপ সৌন্দৰ্য্যমণ্ডিত ৰাজসভাও নিৰ্মিত হ'ল। এই ৰাজসভা হৈ উঠিল নগৰৰ সৰ্বশ্ৰেষ্ঠ দৰ্শনীয় বস্তুৰ অন্যতম। ৰাজসভাৰ একো একোটা স্তম্ভয়েই দৰ্শকক বিমোহিত কৰিছিল।

আৰু অতঃপৰ এদিন বিশ্বকৰ্মাক ৰাজ-সভাৰ উচ্চ আসনত অধিষ্ঠিত কৰি, অপৰিমিত প্ৰশংসাৰে বিভূষিত কৰি, কৃষ্ণই তেওঁক পুনৰ ইন্দ্ৰলোকলৈ পঠোৱাৰ ব্যৱস্থা কৰিলে।

বহিব জানিলে

বেহা-বেপাৰত নিদাৰুণৰূপে ক্ষতিগ্ৰস্ত হৈ অৱশেষত চপলাপতি পুত্ৰ-পৰিবাৰকো লৈ আন কোনোবা ঠাইলৈ গুচি যাবগৈ বুলি ওলাল। ওলাই বাট কুৰি বাই কিছু-দূৰলৈ যোৱাৰ পাছত বাটত এজন সাধুৰ সৈতে দেখাদেখি। সাধুৱে চপলাপতিক হাত দাঙি ৰখালে আৰু ক'লে, "তুমি দেখোন এজন সৎ মানুহ। কিয়নো ভেটি-মাটি এৰি পুত্ৰ-পৰিবাৰকো লগত লৈ গুচি গৈছা? তোমাৰ কষ্টৰ কাহিনী সকলো মোক খুলি-মেলি কোৱাঁ।"

তেতিয়া চপলাপতিয়ে নিজৰ দুৰ্ভাগ্যৰ কথা একো নুলুকোৱাকৈ বিস্তাৰিতভাৱে সাধুক ক'লে।

সকলো কথা মনপুতি শুনাৰ অন্তত সাধুৱে চপলাপতিক ক'লে, "শুনা, সদায় খাটিখোৱা লোকৰ ওপৰত নিৰ্ভৰ কৰি চলি আছিলা। আনৰ শ্ৰমৰ ওপৰতহে তোমাৰ লাভ-লোকচান নিৰ্ভৰ আছিল। এতিয়াৰ-পৰা তুমি নিজৰ শ্ৰমৰ ওপৰত নিৰ্ভৰ কৰি চলি থকাৰ চেষ্টা কৰি চোৱাচোন। তেতিয়াহে বুজিবা, বহিব জানিলে মাটিয়েই পীৰা।"

চপলাপতিয়ে সাধুক কৰযোৰে সুধিলে, "প্ৰভু, সৌ চুবুৰীয়া গাঁৱত মই কেনেকৈ কি কৰিম, দয়া কৰি মোক এতিয়াই কৈ দিয়ক। আপোনাৰ এই সজ কথা-মতেই মই চলি থাকিম।"

"শুনা, মই তোমাক বৰ এটা দিম। এই বৰৰ বলত—আনে পৰিশ্ৰম কৰি যিমান পাব, সেই একেখিনি পৰিশ্ৰম কৰি তুমি ঢেৰ বেছি পাবা।" চপলাপতিক



সাধুৰে বুজাই ক'লে।

তাৰ পাছত, চুবুৰীয়া গাঁৱলৈ গৈ, কুঠাৰ এখন লৈ, খৰিকাঠ কাটি আনিবলৈ চপলাপতি অৰণ্যলৈ বুলি ওলাল।

এইখন গাঁৱত কাঠ-কটীয়াৰ সংখ্যা বহুতো। সিহঁতে চপলাপতিক বাধা দিলে আৰু ক'লে, "হেৰা, এই জংগলৰপৰা তুমি কাঠ কাটি নিনিবা। ইয়াৰপৰা কিছু-দূৰলৈ গ'লে আন এডৰা হাবি পাবা, তাৰপৰা কাঠ কাটি লোৱাগৈ যোৱা।"

চপলাপতি সেই হাবিলৈ গ'ল। অটব্য হাবি। চপলাপতিৰ পৰিবাৰে ক'লে, "এনে অটব্য হাবিৰ ভিতৰকুৱা সোমালে বিপদ হ'ব পাৰে। তোমাক মই অকলে যাবলৈ এৰি নিদিওঁ। আমিও যাম তোমাৰ লগত। জীলে একেলগে জীয়াই থাকিম, মৰিলেও একেলগেই মৰিম।"

সিহঁত হাবিৰ ভিতৰ পালেগৈ। পাই, কুঠাৰ দাঙি এজোপা গছত ঘঁহিয়াবলৈ ধৰোঁতেই এটা বিকট শব্দ উঠিল। পাছ-মুহূৰ্ত্তত সেই গছজোপাই এক ভয়ংকৰ মূৰ্তি ল'লে। সেই ভয়ংকৰ মূৰ্তিৰূপী গছজোপাই গৰ্জি উঠি ক'লে, "চোৰা চপলাপতি, তোমাক মই পুত্ৰ-পৰিয়ালৰে সৈতে গিলি থ'ম। মোৰপৰা ৰেহাই নোপোৱা। পিছে—যদি ভালে ভালে হাবি এৰি গুচি যোৱা — তেতিয়া মই আৰু একো অনিষ্ট নকৰোঁ।"

বুকুত ধান বনাদি বানি থকা সত্বেও বাৰটা বাঘৰ জামিন হৈ থকা মানুহ এটাৰ দৰে চপলাপতিয়ে সাহসৰে ক'লে, "তুমি যদি আমাক গিলি খোৱা, কৰিবলগা একো নাই, গিলি খাব পাৰিবা। কিন্তু মই কাঠ নকটাকৈ নোৱাৰিম। কোনোবাই শ্ৰম কৰি বৰ্তি থাকিবলৈ বিচাৰে যদি— বৰ্তি থাকিবলৈহে দিয়া উচিত। কোনোবাই অলস জীৱন যাপন কৰে যদি—সেই জীৱন অভিশপ্ত হ'ব। আৰু তেনেকুৱা অলস তথা অভিশপ্ত জীৱনলৈ যদি তুমি

মোক উদগোৱা, আগ বঢ়াই দিয়া, তাৰ বাবে তুমি দায়ী হ'বা।"

এই কথা শুনাৰ লগে লগে গছজোপাৰ সেই ভয়ংকৰ আকৃতি গুচি পুনৰ আগৰ দৰে এজোপা গছলৈ ৰূপান্তৰিত হ'ল। ঘটনাটো চপলাপতিৰ ওচৰত বৰ বিস্ময়কৰ লাগিল। কিহৰপৰা যে কি হ'ল, বা কেনেকৈ হ'ল, সি একো ঠাৱৰ কৰিব নোৱাৰিলে। কিন্তু সি পুনৰ কুঠাৰ দাঙি গছজোপা পুনৰ কাটিবলৈ উদ্যত হ'ল।

"ৰ'বা, চপলাপতি!" অদৃশ্য কোনোবাই ক'ৰবাৰপৰা যেন কৈ উঠিল।

তাৰ পাছত চপলাপতিয়ে এগৰাকী দেৱীক আগুৱাই অহা দেখা পালে; দেৱীয়ে চপলাপতিক ক'লে," শুনা, চপলাপতি, মই হ'লো বন-দেৱী। এই অৰণ্যৰ চোৱা-মেলাৰ দায়িত্ব মোৰ। তুমি যিহেতু কাঠকটীয়া, সিহেতুকে, তোমাৰ সৈতে আমাৰ সা-সম্পৰ্ক নথকাই ভাল। তোমাৰ হাতত জাদু-কুঠাৰ থকা বাবেহে এই অৰণ্যৰ হিংস্ৰ জন্তু-জানোৱাৰবিলাকেও তোমাৰ একো অনিষ্ট কৰিব পৰা নাই। বৃক্ষই ৰাক্ষসৰ ৰূপ ধৰিও তোমাৰ কোনো অনিষ্ট কৰিব নোৱাৰিলে। সেইহে, বাধ্যত পৰি মই আহিলোঁ। মোৰ নিৰ্দেশ, তুমি অনতিপলমে এই অৰণ্য এৰি আন ক'ৰবালৈ এতিয়াই গুচি যোৱা।"

চপলাপতিয়ে ক'লে, "নিশ্চয় গুচি



যাম। কিন্তু মই কেনেকৈ পা-পৰিয়ালে পেট প্ৰৱৰ্তাম—মোক কৈ দিয়া।"

"দেশৰ ৰজাইহে তোমাক এই কথা ক'ব পাৰিব। তুমি ৰজাৰ কাষ চাপাঁ।" বনদেৱীয়ে ক'লে, "তুমি চকু মুদি দিয়া, ৰজাক দেখা পাবা। আৰু শুনা, ৰজাৰ শাসনময়ো মান্য কৰিম।"

চকু মুদি দিয়াৰ লগে লগে চপলাপতিয়ে ৰাজসভা পালেগৈ। ৰাজসভাত চপলাপতি আৰু তাৰ পুত্ৰ-পৰিবাৰক দেখা পাই সকলো অবাক। চপলাই তাৰ কাহিনী সংক্ষিপ্তভাৱে ৰজাক ক'লে।

ৰজাই চপলাপতিক ক'লে, "তুমিও মোৰেই প্ৰজা, এতেকে—তোমাৰ আৰু তোমাৰ পৰিয়ালবৰ্গৰো ৰক্ষণাবেক্ষণৰ দায়িত্ব মোৰ। তুমি মোৰ অধীনত চাকৰি এটা পাবা আৰু তোমাৰ অসুবিধা নোহোৱালৈ মই লক্ষ্য ৰাখিম।"

চপলাপতিয়ে ক'লে "মহাৰাজ! সাধুৱে মোক যি বৰ দিলে, সেই বৰ অনুযায়ী মই কুঠাৰেৰে শ্ৰম কৰিলেহে মোৰ প্ৰায়শ্চিত্ত হ'ব; মোক বনদেৱীয়ে বাধা দিছে। আপুনি বনদেৱীক শাসন কৰিলেই মোৰ বাঞ্ছা পূৰণ হৈ যাব"

ৰজাই চপলাপতিৰ হাতৰপৰা কুঠাৰখন ল'লে, আৰু সেই বনলৈ সোমাই বন-দেৱীক মাতিলেগৈ।

ৰজাৰ প্ৰশ্নৰ উত্তৰত বনদেৱীয়ে ক'লে, "মহাৰাজ! আপুনি যেনেকৈ আপোনাৰ প্ৰজাবৰ্গক পালন কৰে, ময়ো মোৰ অৰণ্য-জাত গছ-বন পশু-পক্ষীক পালন তথা ৰক্ষণাবেক্ষণ কৰোঁ। যদি এডৰা অৰণ্য বিনাশ কৰাত আপুনি অনুমতি দিয়ে, দিয়ক। কিন্তু আন এডৰা অৰণ্য সৃষ্টিও কৰক। সৃষ্টি কৰিব নোৱাৰিলে ধ্বংসৰ অধিকাৰ ঈশ্বৰৰো নাই।"

বন-দেৱীৰ কথাৰ উত্তৰ নিদিয়াকৈই ৰজা পুনৰ ৰাজধানীলৈ উভতি গ'ল আৰু চপলাপতিক ক'লেগৈ, "চপলাপতি, তুমি

যদি কুঠাৰেৰে বনৰ আটাইবোৰ গছ কাটিবলৈ বিচাৰা, তেনেহ'লে বহু বছৰ সময়ৰ আৱশ্যক হ'ব। দেশত এতিয়া বহুতো কাঠ-কটীয়া আছে। তুমি এফালৰ-পৰা গছ-গছনিবোৰ কাটি থাকিলে— সিহঁতো অথন্তৰত পৰিব। সেইদেখি— মই তোমাক আন কিবা কামৰ যোগেদি জীৱিকা আৰ্জিবলৈ পৰামৰ্শ দিছোঁ।"

দেশৰ ৰজাৰ কথাত ভাল নাপাই চপলাপতি সপৰিয়ালে চুবুৰীয়া দেশলৈ গ'ল। তাত সি কাঠ কটাত কোনো বিধৰ বাধা নাপালে। দহজনে এদিনতে যিমান কাঠ কাটে চপলাপতিয়ে অকলেই এদিনতে সিমানখিনি কাট কাটিব পাৰে। এইদৰে, কঠোৰ পৰিশ্ৰম কৰি, সি কিছু দিনৰ ভিতৰতে ভালেখিনি ধন সাঁচিব পৰা হ'ল। সি হাবিৰপৰা কাঠ কাটি কেৱল এই দেশতে নহয়, অন্যান্য দেশৰ সৈতেও কাঠৰ কাৰবাৰ কৰি থাকিল।

এইদৰে ভালেমান বছৰ পাৰ হোৱাৰ পাছত, এবছৰ সেই দেশত দুৰ্ভিক্ষই দেখা দিলে। খৰৰ কবলত পৰি সমগ্ৰ দেশত শস্য হানি হ'ল। খাদ্যৰ অভাৱত সকলোতে হাহাকাৰ উঠিল। দাৰিদ্ৰ্য ইত্যাদিৰ ফলত দেশত চুৰি-ডকাইতি আৰু অন্যান্য অপৰাধ-মূলক কাম অতিপাত বাঢ়ি গ'ল। মানুহৰ জীৱনৰ নিৰাপত্তা নোহোৱা হ'ল।

এই দেশৰ এই অৱস্থাত চপলাপতিয়ে নিজ-দেশলৈ উভতি যাবলৈ ভবা-গুণা কৰি থাকিল। কিন্তু তেনেতে তাৰ মুখত এক কঠিন তথা মাৰাত্মক বেমাৰৰ সৃষ্টি হ'ল। বৈদ্য এজনে ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰিও তাৰ বেমাৰৰ হেতু তথা এই বেমাৰ যে কি বেমাৰ তাকো নিৰ্ণয় কৰিব নোৱাৰিলে। আৰু—

ভুতৰ ওপৰত দানহ পৰা দি, চপলা-পতিৰ এনে অৱস্থাত ৰাজপ্ৰহৰীহঁতে চপলা-পতিক ধৰি লৈ গ'ল। তাৰ যে কি অপৰাধ — সেই কথাৰ ভু সি নিজেও

নাপালে। সাতদিন ধৰি একো নোকোৱাকৈয়েই তাক ফাটেকত ভৰাই থোৱা হ'ল।

ফাটেকত সোমোৱাৰ পাছত চপলাপতিয়ে লক্ষ্য কৰিলে যে — তাত থকা অন্যান্য বন্দীহঁতৰ মুখতো সেই একেই বেমাৰৰ চিন! ইমান মানুহৰ মুখত একেই বিধৰ বেমাৰ হোৱা দেখি আৰু আটাইবোৰকে বন্দী কৰা দেখি চপলাপতি একেবাৰে মুখত কোবোৱা দমৰাহেন হৈ পৰিল।

সাতদিনৰ অন্তত আটাইবোৰ বন্দীক এঠাইত গোট খুৱাই লৈ সেই দেশৰ ৰজাই সিহঁতক ক'লে, "মই যোৱা সাত দিন ধৰি তোমালোকৰ প্ৰতি অবিচাৰ কৰি আছোঁ, জানো। এই কথাত তোমালোকে বেয়া নাপাবা। মই বনদেৱীৰ নিৰ্দেশমতে এইবোৰ কাম কৰি আছোঁ। বনদেৱীয়ে সপোনত মোক ঠিক যেনেকৈ নিৰ্দেশ দিছে—সেই নিৰ্দেশকে মই আখৰে আখৰে পালন কৰিছোঁ। প্ৰতিখন দেশ তাৰ পৰিবেশৰ ওপৰত নিৰ্ভৰশীল। বৰষুণ নিদিলে কোনো দেশতে শস্য নোপজে। আৰু — যিকোনো এখন দেশৰ সম্পদ শস্যক্ষেত্ৰৰ ওপৰতহে সম্পূৰ্ণ নিৰ্ভৰশীল।

"যি হ'ব লগা আছিল, হ'ল। বৰষুণ নোহোৱাৰ বাবে দায়ী মানুহবিলাকৰ মুখত এবিধৰ চিন ফুটি ওলোৱাৰ কথা বনদেৱীয়ে মোক সপোনতে কৈছিল, দেখুৱাই দিছিল। সেই চিন থকাহঁতক দণ্ড দিব লাগিব বুলিও তেওঁ কৈ দিছিল।" এই বুলি কোৱাৰ অন্তত, ৰজাই তেওঁৰ নিজৰ মুখৰ ওপৰত থকা কাপোৰৰ ঢাকনি এখন গুচাই ল'লে। তেতিয়া দেখা গ'ল, অন্যান্য বন্দী আৰু চপলাপতিৰ মুখত যিবোৰ চিন আছিল, ৰজাৰ মুখতো সেই একেইবোৰ চিন আছে! এই দৃশ্য দেখি চপলাপতিয়ে চৰ্চৰণি খালে।

ঠিক তেতিয়াই তাত বনদেৱীয়ে দেখা দিলে আৰু ক'লে, "চপলাপতি, তোমাক

মই গছ-গছনি কাটিবলৈ টানি নিষেধ কৰিছিলোঁ। গছ-গছনি কাটিলে যে কিমান অনিষ্ট হয় — এতিয়া বুজি পাইছানে? কেৱল প্ৰজাইঁতেই নহয়; কিছুমান ৰজা-মহাৰজাও অবাধ্য, মোৰ কথালৈ কাণসাৰ কৰিবলৈকো নিবিচাৰে। তাৰ ফলত— তেওঁলোকৰ অপৰাধত সমগ্ৰ দেশেই নানা-বিধৰ দুখ-কষ্ট ভোগ কৰিবলগা হয়।"

চপলাপতিয়ে বনদেৱীক প্ৰণাম কৰি ক'লে, "হে দেৱী! আমাৰ পৰিয়ালখন যাতে কথমপি খাই-বৈ বৰ্তি থাকিব পাৰে, তাৰ বাবে তুমি আশীৰ্বাদ কৰা, আমাক বল-শক্তি বুদ্ধি দিয়া, সহায় কৰা, হে দেৱী আমাৰ!"

"চপলাপতি!" বনদেৱীয়ে তাৰ আবেদনৰ উত্তৰ ক'লে, "সাধু বাবাই তোমাক মহিমামণ্ডিত জাদু-কুঠাৰ দিলে। তুমি মন কৰিলে খেতি-বাতিৰ কামতো ধৰিব পাৰা। তুমি যেতিয়া সাধুৰ বৰ লাভ কৰিলাই, তেতিয়া তুমি যি কৰিবা তাৰে লাভৰো উপৰি লাভ হ'ব। তোমাৰ ঘৰত লখিমীৰ বসতি হ'ব। কোনোদিনে তোমাৰ কোনোবিধৰ অভাৱ-অনাটন নহ'ব—এই কথা জোন-বেলি ওলোৱাৰ দৰেই সঁচা।"

বনদেৱীৰ কথা শুনি চপলাপতি নিজৰ গাঁৱলৈ উভতি গ'ল, আৰু খেতি-বাতিৰ কামত মনপুতি লাগিল। চপলাপতিয়ে বনদেৱীৰ আদেশ আখৰে আখৰে প্ৰতি-পালন কৰি তেওঁৰ নিৰ্দেশিত কামতে আত্মনিয়োগ কৰিলে।

খেতি-বাতিৰ কামতে চপলাপতিয়ে আত্মনিয়োগ কৰি মনৰপৰা অন্যান্য লোভ, সহজেই ধনী হোৱাৰ আশা ইত্যাদি সকলো কু ভাৱনা এৰি সৎপৰিশ্ৰমৰে জীৱন যাপন কৰি থকা হ'ল আৰু সেই উপায়েৰেই তাৰ এশ এবুৰি আহুকলীয়া জীৱনত সুখৰ সন্ধান পোৱা হ'ল।

স্বৰ্ণ-সৃষ্টা

প'লাণ্ডদেশৰ অধিবাসীসকলৰ বিশ্বাস আছিল যে, খনিত কাম কৰা বন্নুৰাহঁত খনিৰেই সন্তান। মাটিৰ মানুহ। অধিবাসী সকলে খনি-বন্নুৰাহঁতক 'স্বৰ্ণ-স্ৰষ্টা' বুলি অভিহিত কৰিছিল।

এই 'স্বৰ্ণ-স্ৰষ্টাহঁত অধিকভাগ সময়ত খনিৰ ভিতৰতে থাকিছিল। খনিৰ বাহিৰত ইহঁতক কোনেও প্ৰায় দেখা নাপাইছিল। সিহঁত আছিল সাধাৰণ মানুহতকৈ চাপৰ। ভাল মানুহৰ লগত সিহঁতে ভাল আচৰণ কৰিছিল। খনিৰ ভিতৰত কাম কৰাহঁতক দেখুৱাই দিছিল যে ক'ত অধিক সম্পদ আছে। এক কথাত, সিহঁতে ভাল লোক-সকলৰ সৈতে ভাল ব্যৱহাৰ কৰিছিল, মানুহৰ ভালৰ বাবেহে কাম কৰিছিল।

কিন্তু বেয়াহঁতক—দুষ্টহঁতকো সিহঁতে শুদাই নেৰিছিল। ইহঁতৰ মাজত অতি বদমাছহঁত যাতে খনিৰ ভিতৰতে কবৰস্থ হয়, তাৰ বাবে চিন্তা-চেষ্টা কৰিছিল।

সোণৰ খনি এটাত এজন চৰ্দাৰ আছিল। এই সোণৰ খনিৰ বন্নুৰা এজনৰ মৃত্যুৰ পাছত সেই চৰ্দাৰে মৃত বন্নুৰাজনৰ পৰিবাৰক কোনো প্ৰকাৰৰ ক্ষতিপূৰণ নিদিয়া হ'ল। খনিৰ আটাইবোৰ বন্নুৱায়েই ক'লে যে এইগৰাকী মহিলা সেই মৃত বন্নুৰাজনৰ পৰিবাৰ। তথাপি চৰ্দাৰক আৰু উপযুক্ত প্ৰমাণ লাগে— আৰু এই অছিলাত — মহিলাগৰাকীক তেওঁৰ প্ৰাপ্য অৰ্থৰপৰা বঞ্চিত কৰিলে।

এই ঘটনাৰ সাতটি দিনৰ অন্তত, খনিৰ ভিতৰতে, খনিৰ ভিতৰুৱা চালৰপৰা মাটিৰ চপৰা পৰি চৰ্দাৰ পোত খাই পৰিল।



যেতিয়া কোনোবাখন দেশৰ লগত যুদ্ধ লাগি পৰিছিল, তেতিয়া প'লাণ্ডৰ ধনিক লোকসকলে তেওঁলোকৰ ধন-সম্পদ সোণৰ খনিৰ ভিতৰতে লুকুৱাই থৈছিল। যুদ্ধত যিসকলৰ মৃত্যু হৈছিল—সেইসকলৰ সা-সম্পদ খনিতে পৰি থাকিছিল। তেতিয়া আন কোনোবা লুভীয়া পৰিয়ালে মৃতকৰ সেই সা-সম্পদ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল। কিন্তু—খনিৰ ভিতৰলৈ লৈ যোৱা চাকি খনিৰ ভিতৰ পোৱাৰ লগে লগে নুমাই গৈছিল। পুনৰ জ্বলালেও লগে লগে নুমাই গৈছিল!

এবাৰ এজন স্বৰ্ণ-স্রষ্টাই ধনিকসকলৰ সা-সম্পৃ ক'ত আছে দেখুৱাবলৈ দুজন বন্দুৱাক খনিৰ ভিতৰলৈ লৈ গ'ল। এই দুজনৰ মাজত এজনে এডাল সৰু লাখুটি ছুৰীৰে কাটি কাটি গৈ থাকিল। উদ্দেশ্য: লাখুটি ডালৰপৰা বাটত যিবোৰ টুকুৰা কাঠ পৰি থাকিব, পুনৰ সেই কাঠৰ টুকুৰাবোৰ অনুসৰণ কৰি গৈ গৈ সম্পদৰ ঠাই পাবগৈ। কিন্তু তাৰ সেই আশাৰ মূৰত চেঁচাপানী পৰিল। অলপ পাছত সেই কাঠৰ টুকুৰাবোৰ তাৰপৰা নোহোৱা হ'ল। গা ়ক—সেইজন বন্দুৱাৰ উদ্দেশ্য সমূলি ব্যৰ্থ হ'ল।

প'লাণ্ডৰ আটাইতকৈ পুৰণি আৰু বৃহৎ খনিটোতে অধিক সংখ্যক স্বৰ্ণ-স্রষ্টাই কাম কৰিছিল। সেই খনিত ভালেমান বিভাগ আছিল। প্ৰতিটো বিভাগত কেনেদৰে কি কাম চলি আছে—সেই কথাৰ পৰ্য্যৱেক্ষণৰ বাবে স্বৰ্ণ-স্রষ্টাইঁত নিযুক্ত আছিল। কোনোবাই কামত গাফিলি কৰিলে, ফাঁকি-ফুঁকা কৰিলে, কিবা অন্যায় কৰিলে তাৰ বিচাৰ হৈছিল।

এজন দুখীয়া বন্দুৱা আছিল। নাম তাৰ ৰিংগো। ৰিংগোই দিনে-নিশাই মদ খাইছিল। সি কাম কমকৈ কৰা হেতুকে দৰমহাও কমকৈ পাইছিল। এদিন সি নিজক নিজে কোৱাদি কৈ আছিল:



মই যে কেনে দুৰ্ভগীয়া! আন সকলোৱে যি পায়, মই নাপাওঁ। কতই কত মানুহক সহায় কৰে, মোক পিছে কোনেও সহায়-উহায় নকৰে! —কথাখিনি সি নিজক নিজে ক'লেও অলপ জোৰে জোৰে কৈছিল।

কথাখিনি এজন স্বৰ্ণ-স্ৰষ্টাৰ কাণত পৰিছিল। স্বৰ্ণস্ৰষ্টাই ৰিংগোক ক'লে, "তুমি নিজে পোৱাখিনিৰহে হিচাপ কৰিছা, তোমাৰ নিজৰ কামৰ হিচাপ কেতিয়াবা তুমি কৰিছানে বাৰু?"

"মোক ভাল খনিত কাম কৰিবলৈ দিয়া নহয়।" ৰিংগোই ক'লে।

"আহাঁ মোৰ লগত, মই তোমাক ৰূপৰ খনিলৈ লৈ যাম। তুমি যদি মোৰ কথামতে কাম কৰা, ঢেৰ টকা পাবা।" স্বৰ্ণস্ৰষ্টাই ক'লে।

ৰিংগো স্বৰ্ণ-স্ৰষ্টাৰ লগ লাগি বহুদূৰলৈ বাট কুৰি বাই গ'ল।

স্বৰ্ণ-স্ৰষ্টাই এঠাইত ৰৈ ৰিংগোক ক'লে, "এয়ে হ'ল ৰূপৰ খনি। এই খনি এদিনৰ বাবে খান্দি তুমি তোমাৰ ইচ্ছামতে ৰূপ খান্দি উলিয়াই লোৱা। তাৰ পাছত— সেই ৰূপখিনিৰে সৈতে মোৰ লগত য'ত প্ৰথমে দেখাদেখি হৈছিল, তালৈ আহিবা। তাত মই তোমাৰ অংশ তোমাক দিম, মোৰখিনি মই ল'ম।"

ৰিংগোই তাৰ লগৰীয়া কেইজনমানক ৰূপৰ খনি খন্দাৰ বাবে মাতি লৈ গ'ল। সিহঁতে পোনতে অতি উৎসাহেৰে ৰিংগোৰ আহ্বানলৈ প্ৰত্যুত্তৰ কৰিলে।

ৰিংগোৰ লগ লাগি যিসকল গ'ল, সিহঁতে সেই খনিলৈ গৈ তাক ক'লে, "এই খনিত ক'তনো ৰূপ আছে? ইয়াত বাণৰ বাহিৰে একো নাই। ইয়াত যদি ৰূপ পোৱা, তুমি লৈ যোৱা, আমাক নালাগে। আমি এতিয়া যাওঁ।" এই বুলি কৈ, সিহঁত খনিৰপৰা গুচি গ'ল।

কিন্তু দুখীয়া ৰিংগোই কাম কৰিয়েই থাকিল। এমাহমান একেৰাহে কাম



কৰাৰ অন্তত সি কেইহাজাৰনান মুদ্ৰা আৰ্জিব পৰা হ'ল। মদপীৰ জিদ বৰ ডাঙৰ জিদ। সি যি কথা দিছিল, সেই কথা পালন কৰাৰ বাবে মুদ্ৰাখিনি সি পোনে পোনেই স্বৰ্ণ-স্ৰষ্টাৰ ওচৰলৈ লৈ গ'ল।

দুজনৰ মাজত সেই মুদ্ৰাখিনি ভগোৱাৰ পাছত এটা মুদ্ৰা ওপৰঞ্চি হিচাপে থাকিল।

স্বৰ্ণ-স্ৰষ্টাই দুখীয়া বনুৱা ৰিংগোক সুধিলে, "এই মুদ্ৰাটো কোনে ল'ব?"

"তুমিয়েই লোৱা।" ৰিংগোই ক'লে।

"তোমাৰ দেখিছোঁ — ধনলৈ লোভ এতিয়ালৈকো হোৱা নাই। দিয়াখিনি মই তোমাক ঘূৰাই দিছোঁ, লোৱা। জীৱনৰ বাকীছোৱা কাল তুমি দান-ধৰ্ম কৰি সুখেৰে অতিবাহিত কৰা।" এই বুলি কৈ, স্বৰ্ণস্ৰষ্টাই তাৰ ভাগৰ টকাখিনি দুখীয়া ৰিংগোক দি গুচি গ'ল।

তাৰ পাছত ৰিংগোই মদ খোৱা এৰিলে আৰু প্ৰকৃততেই দান-ধৰ্ম কৰি তাৰ জীৱন কটাবলৈ ধৰিলে।

সেই খনিৰ আন এমূৰত কাম কৰা আন বনুৱা এজনক স্বৰ্ণ-স্ৰষ্টাই সুধিলেগৈ, "তুমি অকলেই ইয়াত কাম কৰি আছা, মোকো তোমাৰ লগত ল'বানে?"

বনুৱাজনে ক'লে, "ইয়াৰপৰা ওলোৱা লো-ৰে মোৰেই পেট ভৰা নাই, আকৌ তুমি ইয়াত কাম কৰিবা?"

"ইয়াতকৈ ভাল ঠাইত কাম কৰিবা যদি মোৰ লগত আহাঁ।"

কথা মতে বনুৱাজন স্বৰ্ণ-স্ৰষ্টাৰ লগ লাগি গ'ল আৰু আন এঠাইত প্ৰচণ্ড উৎসাহেৰে কাম কৰি থাকিল। কিছু সময় কাম কৰাৰ অন্তত এসময়ত ক্লান্ত হৈ দুডোখৰ ৰুটি খাই বনুৱাজন টোপনি গ'ল।

টোপনিৰপৰা সাৰ পাই সি স্বৰ্ণ-স্ৰষ্টাক তাত থিয় হৈ থকা দেখা পালে। স্বৰ্ণ-স্ৰষ্টাই তাক ক'লে "তুমি—কিমান সময় ধৰি টোপনিয়াইছা জানানে?"

"দুঘণ্টামান হ'ব চাগে'।" বনুৱাজনে

সেই স্বৰ্ণ-স্ৰষ্টাজনক ক'লে।

"এই মুদ্ৰাটো লৈ যোৱা, আৰু ৰুটি কিনি আনাগৈ।" স্বৰ্ণ-স্ৰষ্টাই ক'লে।

ৰুটি কিনি আনিবলৈ বনুৰাজন খনিৰ বাহিৰলৈ ওলাল।

খনিৰ বাহিৰত বহি কাম কৰি থকা চাৰিজনী তিৰোতাই তাক দেখামাত্ৰেই তাৰপৰা পলাই গ'ল। যি কি নহওক—কিছুদূৰত থকা দোকান এখনৰপৰা ৰুটি লৈ মুদ্ৰাটো দিয়াত দোকানীয়ে ক'লে যে এই মুদ্ৰা জাল মুদ্ৰা। তাত থিয় হৈ থকা বিজ্ঞ ব্যক্তি এগৰাকীয়ে ক'লে যে মুদ্ৰাটো জাল নহয়, পিছে—মুদ্ৰাটো এশ বছৰৰ আগৰ মুদ্ৰা।

বনুৰাজন লগে সেই লগে খনিৰ ভিতৰলৈ গৈ স্বৰ্ণ-স্ৰষ্টাক সুধিলে, "মই বাৰু এশ বছৰ ধৰি টোপনিয়াই থাকিলোঁনে?"

"নহয় মাত্ৰ দুবছৰ। যি কি নহওক—তুমি মোৰ পিছে পিছে আহি থাকা। এইবাৰ মই তোমাক অসংখ্য ধনিকৰ সা-সম্পদৰ ভঁৰাল দেখুৱাই দিম।" এই কথা কোৱাৰ পাছত পুনৰ স্বৰ্ণ-স্ৰষ্টাই ক'লে, "এয়ে সেই ঠাই। ইয়াৰপৰা যিমান ইচ্ছা সোণ মণি-মুকুতা বুটলি লৈ যোৱা, আৰু সমাজৰ নিছলা-দুখীয়া দুৰ্বল লোকসকলকো সেই অপাৰ সম্পদ অলপ অলপকৈ ভগাই দিয়াগৈ।"

মই — এই ঠাইৰ কথা আন দুই-চাৰিজনকো ক'ব পাৰোঁনে?" বনুৰাজনে স্বৰ্ণ-স্ৰষ্টাক সুধিলে।

"পাৰা, ক'ব পাৰা। পিছে তেওঁলোকেও শ্ৰম কৰি মাটি খান্দি ইয়ালৈ আহিব লাগিব।" স্বৰ্ণ-স্ৰষ্টাই ক'লে।

বনুৰাজন তাৰ গাঁৱলৈ উভতি গ'ল, স্বৰ্ণ-স্ৰষ্টাৰ এই আচৰিত কাহিনী ভালেমানক ক'লে; কিন্তু কোনেও তাৰ এইবোৰ কথা বিশ্বাস নকৰিলে আৰু তাক এটা ধুম-বলিয়া বুলিহে ভাবিলে।



দীঘল-দঁতা সাপ
পশ্চিম আফ্ৰিকাত গাবুন বৈপাৰ নামৰ এবিধ বিষধৰ সাপৰ দাঁতৰ দৈৰ্ঘ্য হ'ল প্ৰায় ২ ইঞ্চি !
লৰত্ত-লেধাঙ্ক
'মছেল' হ'ল এবিধ লেধাই শামুক। প্ৰথমতে ইইতে ইইতৰ দেহস্থ ঠেঙৰ দৰে এটা অংগ উলিয়াই আনে, যিটো অংগ ইইতৰ খোলাৰ ভিতৰতে থাকে। তাৰ পাছত অংগটোক পুনৰ খোলাৰ ভিতৰত ভৰাই লৈহে লেধায়ে লৰৰে !
প্ৰকৃতিৰ বিস্ময়
নেগুৰ-হতীয়া !
মধ্য আৰু দক্ষিণ আমেৰিকাত স্পাইডাৰ নামৰ এজাতি বান্দৰৰ নেগুৰৰ শেষভাগত লোম নাথাকে আৰু নেগুৰৰ সেই অংশ অতি টান হয়। নেগুৰৰ সেই অংশেৰে সিহঁত গছৰ ডাল ভাঙিব পাৰে, ফল টুকিব পাৰে, সকলো কাম কৰিব পাৰে। নেগুৰেৰেই হাতৰ কাম কৰে !

অতিকে' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১·০০ টকা * উৰা-জাহাজ যোগে ১৫০·০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

চাৰ্কুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৮ চনৰ নভেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : **মলুৱাই মাৰে নাচ** দ্বিতীয় ফটো : **জালোৱাই মাৰে মাছ**

পুৰস্কাৰ প্ৰাপক : **ভাস্কৰ বসুমাতাৰী, বিজনী বান্ধৱ বিদ্যালয়, বিজনী-৭৮৩ ৩৯০**
[**পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব**]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

"CRIPPLE"

The word can maim a child for life.

Imagine not being able to race your best friend. Imagine not having a best friend. Imagine being struck by Poliomyelitis before you even know the word. Or what it means. And be called a "cripple" for life.

Every year, Poliomyelitis or Polio strikes 275,000 children in India. In rural India, 1 in every 150—200 surviving newborn is in danger of developing polio unless urgent preventive measures are taken. And, while you read this, there are 1.6 million polio-stricken children in the country, most of them handicapped for life. If only they had been immunized... in time.

PolioPlus

The Rotarian Relief Programme

Rotary International has embarked on a world-wide immunization programme called PolioPlus. Through this programme, Rotary will provide all polio vaccines necessary for upto 5 consecutive years, for children in countries around the world.

Plus immunization against common childhood diseases like measles, diphtheria, tuberculosis, tetanus and whooping cough—-diseases which take 3.5 million young lives in the developing world, every year.

PolioPlus

A Rotary International Campaign
TO IMMUNIZE THE CHILDREN OF THE WORLD

Cut and mail to :
Chairman
POLIOPLUS CAMPAIGN TRUST
128, Golf Links
New Delhi-110 003.

Here's what You Can Do

YES, WE WISH TO SUPPORT THE POLIOPLUS CAMPAIGN TRUST

We enclose our Cheque/Draft of Rs. ....

Name ....

....

Designation ....

....

Company Address ....

....

Phone No. ....

Cheques/Drafts should be drawn in favour of POLIOPLUS CAMPAIGN TRUST payable in Bombay, Contributions are exempted from income tax under section 80 (G) of the Income Tax Act, 1961.

CMP

"YOU HAVE NOT DONE ENOUGH AS LONG AS YOU ARE CAPABLE OF DOING MORE." ***ACT NOW.***

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

CMP-2155

THE HERITAGE

So much in store, month after month.

নিউট্ৰিন
ই ৰসাল আমক পৰিণত কৰে
সুস্বাদু ফ্ৰুট বাৰলৈ.
Naturo
MANGO FRUIT BAR
এতিয়া বছৰৰ
বাৰটি
মাহেই আমৰ
বতৰ!
The Mango Magic
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
নিউট্ৰিন